# দ্বিতীয় অধ্যায়

# কোচ-ৰাজবংশীসকলৰ জন্ম, বিবাহ, মৃত্যুৰ সৈতে জড়িত লোকাচাৰ

# দ্বিতীয় অধ্যায়
# ২.০০ কোচ-ৰাজবংশীসকলৰ জন্ম, বিবাহ, মৃত্যুৰ সৈতে জড়িত লোকাচাৰ

লোকজীৱনৰ হৃদয়ৰ সামগ্রিক বহিঃ প্রকাশত লোকসংস্কৃতিৰ স্বৰূপ প্রকাশ পায়। কোনো জাতি বা জনগোষ্ঠীৰ সামগ্রিক চিন্তা-চৰ্চা, আচাৰ, বিবেক-বিবেচনা, ধ্যান-ধাৰণা, সামাজিক, মনোজাগতিক আদি বিভিন্ন দিশবোৰৰ সমাহৰণেই লোকসংস্কৃতি। বৃহৎ লোকসংস্কৃতিৰ ক্ষেত্ৰখনৰ এক অন্যতম দিশ হ'ল সামাজিক লোকাচাৰ (Social Folk Custom)। সামাজিক লোকাচাৰসমূহ মূলতঃ মানৱ সমাজত পৰম্পৰাগত ভাৱে প্রচলিত বিভিন্ন ধৰণৰ কাৰ্যকলাপ তথা আচাৰ-নীতিসমূহৰ সমষ্টি যাৰ ভিত্তি হৈছে লোকবিশ্বাস বা জনবিশ্বাস। লোকবিশ্বাস হৈছে কেতবোৰ পৰম্পৰাগত বিশ্বাস যিবোৰ পূৰ্বপুৰুষৰ পৰা লোকমনত ধাৰিত হৈ থাকে। কোনো মানৱ সমাজত যুগ-যুগান্তৰ ধৰি পূৰ্বপুৰুষৰ পৰা প্রচলিত কেতবোৰ ৰীতি-নীতি, আচাৰ-ব্যৱহাৰ, উৎসৱ-পাৰ্বণ, জন্ম, বিবাহ, মৃত্যু, ধৰ্ম, বিশ্বাস আদিবোৰৰ সৈতে জড়িত বিভিন্ন অনুষ্ঠান, অৱসৰ-বিনোদন, খেল-ধেমালি, লোক ঔষধ, তথা লোকচিকিৎসা, আদিৰ সমষ্টিয়েই সামাজিক লোকাচাৰ। কোচ-ৰাজবংশী লোকজীৱনত প্রচলিত এনে লোকাচাৰসমূহত এই জনগোষ্ঠীটোৰ স্বকীয়তা প্রতিফলিত হয়।

কোকৰাঝাৰ আৰু চিৰাং জিলাৰ কোচ ৰাজবংশী অধ্যুষিত অঞ্চলসমূহত জন্ম, বিবাহ, মৃত্যুৰ সৈতে জড়িত লোকাচাৰসমূহৰ বিষয়ে আলোচনা আগবঢ়োৱা হ'ল-

## ২.০১ জন্মৰ সৈতে জড়িত লোকাচাৰ আৰু লোকবিশ্বাস ঃ

কোকৰাঝাৰ আৰু চিৰাং জিলাৰ কোচ-ৰাজবংশী লোকসমাজত প্ৰচলিত লোকাচাৰসমূহৰ ভিতৰত জন্ম সৈতে জড়িত লোকবিশ্বাস আৰু লোকাচাৰ সমূহ বিশেষভাৱে তাৎপৰ্য পূৰ্ণ। এগৰাকী বিবাহিতা নাৰীয়ে গৰ্ভধাৰণ কৰা সময়ৰে পৰা আৰম্ভ কৰি সন্তান জন্ম হোৱালৈকে তথা জন্মৰ পিছতো স্তৰে স্তৰে পালন কৰা লোকাচাৰসমূহে কোচ-ৰাজবংশী সকলৰ সাংস্কৃতিক পৰিসৰত এক গুৰুত্বপূৰ্ণ দিশস্বৰূপে জনগোষ্ঠীটোৰ স্বকীয়তাৰ দাঙি ধৰে।

কোচ-ৰাজবংশী সমাজত এগৰাকী বিবাহিতা মহিলাৰ গৰ্ভত সন্তানৰ স্থিতিৰ উমান পোৱাৰেপৰা মহিলাগৰাকী বিভিন্ন নীতি-নিয়ম তথা বিভিন্ন আচাৰ পালন কৰিবলগীয়া হয়। মহিলা গৰাকীৰ লগতে তেওঁৰ স্বামীয়েও কিছুমান নিয়ম মানি চলিবলগীয়া হয়। যেতিয়া বিবাহিতা মহিলাই গৰ্ভধাৰণ কৰে তেতিয়া কোচ-ৰাজবংশী সমাজত 'গাওভাৰী' বা 'পেট হোৱা' বুলি কয় আৰু এনে নিয়মবোৰ গৰ্ভস্থ সন্তানৰ মংগল কামনা, দৈহিক, আৰু মানসিক বিকাশৰ বাবে পালন কৰা হয়। গৰ্ভধাৰণৰ পৰা আৰম্ভ কৰি সন্তান প্ৰসৱ নোহোৱা পৰ্যন্ত এই ন দহ মাহ সময়ছোৱা খুবেই গুৰুত্বপূৰ্ণ আৰু এই সময়ছোৱাত স্বামী-স্ত্ৰী দুয়োজনেই বিভিন্ন ধৰণৰ নীতি-নিয়ম মানিবলগীয়া হয়। অৱশ্যে এনেধৰণৰ নীতি-নিয়ম স্থান বিশেষে কিছু বেলেগ হোৱা দেখা যায়। এই সময়ছোৱাত গৰ্ভৱতী স্ত্ৰী আৰু স্বামী দুয়োজনে জীৱহত্যা কৰা নিষেধ, এনে কৰিলে গৰ্ভস্থিত সন্তানটিৰ ক্ষতি হয় বুলি লোকবিশ্বাস আছে। গৰ্ভস্থিত সন্তানৰ পিতৃয়ে এই সময়ত মৰাশ কান্ধত তোলা, শ্মশানলৈ যোৱা, শ্ৰাদ্ধৰ ঘৰত খোৱা আদি কাৰ্যবোৰ কৰিব নাপায়। গৰ্ভৱতী মহিলাই লুকাই চুৰকৈ বস্তু খাব নালাগে আৰু কোনোবাই কিবা বস্তু বিচাৰিলে; থাকিলে নাই বুলি ক'ব নাপায়। এনে সময়ত গৰ্ভৱতী মহিলা গৰাকীয়ে মন শুদ্ধ, সজ, চিন্তা-ভাৱনা, ভাল কথা, ভাল ব্যৱহাৰ কৰিব লাগে। কিয়নো, এনে আচাৰ-আচৰণৰ প্ৰভাৱ গৰ্ভস্থ সন্তানৰ ওপৰত পৰে বুলি কোৱা হয়। আনৰ প্ৰতি অন্যায় মনোভাৱ, দুৰ্ব্যৱহাৰ, কাজিয়া-পেছাল, পৰচৰ্চা, পৰনিন্দা আদিৰ পৰা আঁতৰত থকাটো গৰ্ভৱতী মহিলাগৰাকীৰ বাবে মংগলদায়ক কাৰণ এনে কাৰ্যই গৰ্ভস্থ সন্তানৰ চৰিত্ৰ গঠনত প্ৰভাৱ বিস্তাৰ কৰে বুলি কোচ-ৰাজবংশী সমাজত লোকবিশ্বাস আছে। সেয়ে, এনে সময়ত গৰ্ভৱতী মহিলাগৰাকীক মহাভাৰত, ৰামায়ণ, গীতা, ভাগৱত আদি ধৰ্মগ্ৰন্থৰ বিভিন্ন পাঠৰ পঠন শ্ৰৱণৰ

ব্যৱস্থা কৰে যাতে ইয়াৰদ্বাৰা গৰ্ভস্থিত সন্তানটিৰ সৎ চিন্তা, সজ চৰিত্ৰ গঢ় লয়।

কোচ-ৰাজবংশী সমাজত গৰ্ভৱতী মহিলাই সূৰ্যগ্ৰহণ আৰু চন্দ্ৰগ্ৰহণৰ সময়ছোৱাত যথেষ্টখিনি সাৱধানতা অৱলম্বন কৰিব লাগে। চন্দ্ৰ বা সূৰ্যগ্ৰহণ আৰম্ভ হোৱাৰেপৰা শেষ নোহোৱা পৰ্যন্ত গৰ্ভৱতী নাৰীগৰাকীক একো কাম কৰিবলৈ দিয়া নহয়। এনে সময়ছোৱাত কোনো খাদ্য খোৱা, মাটি চুৱা, ঘৰৰ বাহিৰলৈ যোৱা আদি কৰা নিষেধ। আনকি অঞ্চল বিশেষে শৌচ-প্ৰস্ৰাৱ কৰাৰ পৰাও বিৰত ৰাখে, কেৱল বিছনাৰ ওপৰতে থকাটো বাধ্যতামূলক কৰে। এনে নকৰিলে গৰ্ভস্থ সন্তানৰ অমংগল হ'ব পাৰে বুলি লোকবিশ্বাসৰ প্ৰচলন আছে। ইয়াৰোপৰি, উক্ত সময়ছোৱাত তামোল কাটিলে, নখ, চুলি বা যিকোনো বস্তু কাটিলে গৰ্ভস্থিত সন্তানৰ অঙ্গক্ষত হয় বুলি কোচ-ৰাজবংশী লোকসমাজত বিশ্বাস কৰে।

কোচ-ৰাজবংশী লোকসমাজত মংগলবাৰ, শনিবাৰক 'খৰবাৰ' (চোকাবাৰ) বুলি মানে আৰু এনে খৰবাৰত গৰ্ভৱতী মহিলাক যেতিয়াই তেতিয়াই বাহিৰলৈ ওলাই যোৱা, নদী পাৰলৈ যোৱা, বাহিৰলৈ চুলি মেলি যোৱা, মানুহৰ লগত থাকিলেও ডাঙৰ গছ-গছনি, নদী, পুখুৰীৰ পৰা আদিলৈ যাবলৈ দিয়া নহয়। এনে কৰিলে গৰ্ভৱতী মহিলাগৰাকীৰ গাত অপশক্তি লম্ভি ক্ষতিসাধন কৰে বুলি বিশ্বাস কৰে। তদুপৰি, কিছুমান সময় বা কাল যেনে- ভৰ দুপৰীয়া, মাজনিশা, ৰাতিৰ শেষ প্ৰহৰ, কাল সন্ধিয়া আদি সময়ক বেয়া সময় বুলি গণ্য কৰে। এনে সময়ছোৱাত গৰ্ভৱতী মহিলাক ঘৰৰ পৰা বাহিৰলৈ ওলাই যাব দিয়া নহয়, চুলি মেলি থাকিবলৈ দিয়া নহয় আৰু যদি কিবা বিশেষ কাৰণত ওলাই যাবলগীয়া হয় তেন্তে চুলি বান্ধি এডাল গজাল বা দিয়াচলাই কাঠি গুজি ল'বলৈ দিয়ে অথবা লগত লোৰ কটাৰী ৰাখিবলৈ দিয়ে যাতে কোনো ধৰণৰ দেও-ভূত বা অপশক্তিয়ে অনিষ্ট কৰিব নোৱাৰে কিয়নো, উক্ত সময়ক অপশক্তিৰ বিচৰণৰ সময় বুলি কোচ-ৰাজবংশী লোকসমাজত বিশ্বাস কৰে।

কোচ-ৰাজবংশী লোকসমাজত উক্ত ধৰণৰ লোকবিশ্বাসবোৰৰ প্ৰচলন হৈ আহিছে আৰু বৰ্তমান সময়তো এনে লোকবিশ্বাস আছে। এনে সময়ছোৱাত পালনীয় লোকাচাৰসমূহৰ আলোচনাৰ সুবিধাৰ্থে দুটা ভাগত ভগাব পাৰি-

১) প্ৰসৱৰ পূৰ্বৰ সময়ছোৱাত পালনীয় লোকাচাৰ।

২) প্ৰসৱকালীন বা প্ৰসৱৰ পৰৱৰ্তী সময়ছোৱাত পালনীয় লোকাচাৰ।

তলত উক্ত লোকাচাৰবোৰৰ বিষয়ে চমু আলোচনা আগবঢ়োৱা হ'ল ঃ

## ২.০১.১ প্ৰসৱৰ পূৰ্বৰ সময়ছোৱাত পালনীয় লোকাচাৰ ঃ

কোকৰাঝাৰ জিলা আৰু চিৰাং জিলাত বসবাস কৰা কোচ-ৰাজবংশী লোক সমাজত সন্তান প্ৰসৱৰ আগৰ সময়ছোৱাত পালন কৰিবলগীয়া লোকচাৰসমূহ অন্যান্য ঠাইত বসবাস কৰাসকলৰ মাজত কিছু ক্ষেত্ৰত মিল আৰু কিছু ক্ষেত্ৰত অমিল দেখা যায়। উত্তৰবংগ, পশ্চিম অসমৰ আন আন ঠাইত 'পঞ্চামৃত খুওৱাৰ নিয়ম'ৰ প্ৰচলন আছে যদিও কোকৰাঝাৰ আৰু চিৰাং জিলাৰ কোচ-ৰাজবংশী অধ্যুষিত অঞ্চলসমূহত 'পঞ্চামৃত খুওৱাৰ নিয়ম' নাই বুলিবই পাৰি। কোকৰাঝাৰ জিলাৰ কিছু অঞ্চল যেনে- শক্তিআশ্ৰম, ডাঙ্গৈমাৰা, কুছেমাৰী, মাগুালপাৰা, মোৱামাৰী, চৌতাৰা, শিথিলা, ভাওৰাগুৰী, বৰুৱাপাৰা, বলকমাৰী, গোঁসাইগাওঁ আদিত '**সাত খুওৱা পৰ্ব**' অনুষ্ঠিত কৰা পৰিলক্ষিত হয়। গৰ্ভৱতী মহিলাগৰাকীৰ সাত মাহ চলি থাকিলে স্বামীৰ গৃহত আৰু কিছুমানে পিতৃৰ ঘৰত সাত খুওৱা পৰ্বটো পালন কৰে। এই অনুষ্ঠানটি পূৰ্ণিমা অমাৱস্যা, একাদশী, শনিবাৰ, চন্দ্ৰগ্ৰহণ, সূৰ্যগ্ৰহণ, মংগলবাৰ, আদি দিনবোৰত পাতিব নাপায়।

শুভ দিন, বাৰ তিথি চাইহে এনে অনুষ্ঠান পতা হয়। এই অনুষ্ঠানটি সম্পূৰ্ণৰূপে নাৰীকেন্দ্ৰিক। "*নাৰীকেন্দ্ৰিক হ'লেও যিসকল সধবা নাৰীৰ প্ৰথম সন্তান জীয়াই আছে তেনে সধবা নাৰীকহে এনে অনুষ্ঠানত অংশ গ্ৰহণ কৰিবলৈ দিয়া হয়। আনহাতে, যিসকল সধবা নাৰীৰ প্ৰথম সন্তান ঢুকাইছে অথবা গৰ্ভপাত হৈছে, তেনে মহিলাক এই অনুষ্ঠানত ভাগ ল'বলৈ দিয়া নহয়।*"[১] সাত খুওৱা পৰ্বটোত প্ৰয়োজন হোৱা সামগ্ৰীবোৰ হ'ল গাখীৰ, দৈ, চেনি, জহাচাউল, মিঠাই আদিৰ উপৰিও মাছ, মাংস, শাক পাচলি আদিৰে তৈয়াৰী সাত প্ৰকাৰৰ ব্যঞ্জন আদি। উক্ত দিনটোত গৰ্ভৱতী মহিলা গৰাকীক এযোৰ নতুন কাপোৰ, এযোৰ শংখৰ শাখা, সেন্দূৰ আদি দিয়া হয়। এই অনুষ্ঠানটি পালনৰ বাবে এটা আছুতীয়া কোঠালী লোৱা হয় য'ত ইষ্ট দেৱতাক পূজা অৰ্চনা কৰা হয় আৰু পূজাৰ বাবে প্ৰয়োজন হয়। এখন কুলাত আগলতি কলপাত দি তাৰ ওপৰত চাকি, ধূপ, সেন্দূৰ, ধান, দুবৰি বন আদি সামগ্ৰীৰে ইষ্ট দেৱতাক পূজা কৰাৰ পাছত গৰ্ভৱতী মহিলাগৰাকীক

মাজত বহুৱাই সোঁফাল -বাওঁফাল তিনিজনীকৈ সধবা মহিলা বহে আৰু প্ৰত্যেককে পাঁচ বা সাত প্ৰকাৰৰ ব্যঞ্জনেৰে ভাত খাবলৈ দিয়া হয়। প্ৰথমে গৰ্ভৱতী মহিলাগৰাকীয়ে খাব তাৰ পাছতহে অন্য মহিলাসকল খাব পাৰে। এনেদৰে সাত খোৱাৰ পাছত গৰ্ভৱতী মহিলাগৰাকীক সকলোৱে উপহাৰস্বৰূপে নতুন কাপোৰ, টকা আদি দিয়ে। এনেদৰে সন্তান সম্ভৱা নাৰী গৰাকীয়ে যাতে শাৰীৰিক আৰু মানসিকভাৱে ভালে-কুশলে আনন্দত থাকে আৰু যাতে এটি স্বাস্থ্যৱান সন্তান জন্ম দিয়ে তাৰে কামনা কৰি 'সাত খুওৱা পৰ্বটো' পালন কৰা হয়। গৰ্ভাৱস্থাৰ সময়ছোৱাত গৰ্ভৱতী মহিলা-গৰকীৰ বিভিন্ন ধৰণৰ খাদ্যৰ প্ৰতি আকৃষ্ট হোৱা পৰিলক্ষিত হয়। সেয়ে আত্মীয়-স্বজন, ওচৰ- চুবুৰীয়াসকলে গৰ্ভৱতী মহিলা গৰাকীক খাবলৈ মাতে। এনেদৰেই আঠ ন মাহ পাৰ হৈ যায়।

## ২.০১.২ প্ৰসৱকালীন বা প্ৰসৱৰ পৰৱৰ্তী সময়ছোৱাত পালনীয় লোকচাৰঃ

কোচ-ৰাজবংশী লোক সমাজত সন্তান প্ৰসৱৰ আগৰ সময়ছোৱাৰ দৰে প্ৰসৱকালীন তথা প্ৰসৱৰ পিছৰ সময়ছোৱাত কেতবোৰ নীতি নিয়ম তথা আচাৰ পালন কৰে। গৰ্ভৱতী মহিলা-গৰাকীৰ প্ৰসৱ বেদনা আৰম্ভ হোৱাৰ লগে লগে গাওঁৰে অভিজ্ঞ মহিলাৰ প্ৰসৱ সম্পৰ্কীয় জ্ঞান থকা ' ধাই' এগৰাকীক মাতি অনা হয়। প্ৰসূতিৰ কাৰণে এটা আছুতীয়া কোঠালীৰ ব্যৱস্থা কৰা হয়। কোচ-ৰাজবংশী সমাজত এনে কোঠালীক 'পোৱাতী ঘৰ' বা 'ছুৱা ঘৰ' বুলি কয়। পোৱাতী ঘৰত কোনো পুৰুষ তথা বাহিৰৰ আন মানুহকো সোমাবলৈ দিয়া নহয়। পূৰ্বৰেপৰা কোচ-ৰাজবংশী সমাজত এনে 'পোৱাতী ঘৰ' ৰ ব্যৱস্থা কৰা প্ৰচলন আছে। ইয়াৰ বিশেষ কাৰণ নথকাও নহয়। সন্তান প্ৰসৱ হোৱাৰ পাছত মাক আৰু সন্তান দুয়োকে খুব সযতনে, সাৱধানেৰে ৰাখিব লাগে। এনে সময়ত মাক-সন্তান উভয়ৰে শাৰীৰিক অৱস্থা সুস্থ তথা ভালে কুশলে ৰাখিবৰ বাবে, আন মানুহৰ সংস্পৰ্শত নাহিবৰ বাবে এনে 'পোৱাতী ঘৰ' ত ৰখাৰ ব্যৱস্থা কৰা হয়। "*পোৱাতী ঘৰৰ দুৱাৰ মুখত তুঁহৰ জুই, বগৰী গছৰ কাঁইট আদি ৰখা হয়। এনেদৰে ৰাখিলে দেও-ভূত বা কোনো অপশক্তিয়ে একো অনিষ্ট কৰিব নোৱাৰে বুলি কোচ-ৰাজবংশী জনসমাজত লোক বিশ্বাস আছে।*"[২]
"*সন্তান যাতে কষ্ট নোপোৱাকৈ সোনকালে ভূমিষ্ঠ হয় তাৰ কাৰণে মাতৃগৰাকীৰ গাত তাবিচ-কবচ বা জাপ দিয়াৰো নিয়ম কোচ-ৰাজবংশী সমাজত আছে। কেতিয়াবা সন্তান জন্মৰ লগে লগে*

*এই জাপ খুলি দিয়ে। কিছুমান জাপ সন্তান জন্মৰ পিছতো মাকৰ গাত থাকে। সদ্য কেচুৰাৰ গাতো তাবিচ-কবচ দিয়াৰ নিয়ম আছে।*'[৩] সন্তান মাতৃগৰ্ভৰ পৰা ভূমিষ্ঠ হোৱাৰ লগে লগে কুহুমীয়া গৰম পানীৰে ভালদৰে পৰিস্কাৰ কৰে, নৱজাতকৰ জিভাখনো ভালদৰে  চাফা কৰে। সন্তানটি ল'ৰা হ'লে ধাইসকলে হালোৱা লাঠিৰে বেৰত ঢকিয়ায় আৰু ছোৱালী হ'লে লক্ষ্মীৰ আগমন বুলি উৰুলি দিয়ে। সন্তান ভূমিষ্ঠ হোৱাৰ পাছত এক গুৰুত্বপূৰ্ণ কাম হ'ল প্ৰসূতিৰ ফুলখনৰ (Placenta) ব্যৱস্থা কৰা। সন্তান প্ৰসৱৰ পিছতে প্ৰসূতিৰ ফুল বাহিৰলৈ ওলাই নাহি ভিতৰলৈ অৰ্থাৎ বুকুৰ পিনে উজাই গ'লে প্ৰসূতিগৰাকীৰ মৃত্যুও হ'ব পাৰে। সেয়ে, এই ক্ষেত্ৰত ধাইসকলে বিশেষভাৱে সাৱধানতা অৱলম্বন  কৰিবলগীয়া হয়। এইখিনিতে উল্লেখনীয় যে 'প্ৰসূতিৰ ফুলখন' যদি ভুলবশতঃ কোনো জন্তুৱে খাই পেলায় তেন্তে মাকৰ স্তনৰ গাখীৰ কমি যায় আৰু মাকৰ গাখীৰ খাব নাপাই নৱজাতকৰ মৃত্যুও হ'ব পাৰে। সেয়ে, প্ৰসূতিৰ ফুলখন পোৱাতী ঘৰৰ দুৱাৰমুখতে মাটিত পুতি থয়।

## ২.০১.২.১ ফুল গৰম কৰা পৰ্ব ঃ

কোচ-ৰাজবংশী সমাজত জন্মৰ সৈতে জড়িত বিভিন্ন লোকাচাৰৰ ভিতৰত ফুল গৰম কৰা লোকচাৰটো গুৰুত্বপূৰ্ণ। যেতিয়া গৰ্ভস্থ সন্তান মাতৃগৰ্ভৰপৰা ভূমিষ্ঠ হয় তেতিয়া মাকৰ গৰ্ভ আৰু ভূমিষ্ঠ সন্তানৰ নাভিৰ লগত এডাল সংযোগী নাড় (নাড়ী) থাকে। সন্তান জন্মৰ কিছু সময় পাছতহে মাকৰ গৰ্ভৰ পৰা সম্পূৰ্ণ অংশ বাহিৰলৈ ওলাই আহে। কোকৰাঝাৰ আৰু চিৰাং জিলাৰ কোচ-ৰাজবংশীসকলে ইয়াক 'ফুলসৰা' বুলি কয়। কেতিয়াবা প্ৰসৱৰ বহু সময় পিছতো সন্তানটি মৃতপ্ৰায় অৱস্থাত থাকে। তেনে সময়তে প্ৰসূতিৰ ফুলখন ধাইসকলে এখন লোৰ কোৰত লৈ তাক আঙঠাৰ ওপৰত থৈ  গৰম কৰে। এনেদৰে গৰম কৰিলে নৱজাতকৰ জীৱ ঘূৰি আহে বুলি কোচ-ৰাজবংশী লোকসমাজত জনবিশ্বাস আছে। এনে ধৰণৰ লোকাচাৰ আৰু লোক চিকিৎসাৰ প্ৰচলন কোচ-ৰাজবংশী সমাজত অতীতৰে পৰা দেখিবলৈ পোৱা যায়।

## ২.০১.২.২ নাড় (নাড়ী) কটা পৰ্ব ঃ

কোকৰাঝাৰ আৰু চিৰাং জিলাৰ কোচ-ৰাজবংশী লোকসকলে সন্তান প্ৰসৱৰ পাছত মাক আৰু নৱজাতকৰ মাজত সংলগ্ন হৈ থকা 'নাড়ডাল' কাটিবলৈ বাঁহৰ চুচক্‌নিৰ (কেঁচা বাঁহৰ

সেউজীয়া অংশটি পাতল কৰি কাটি ব্লেডৰ দৰে ধাৰ কৰোৱা একবিধ বস্তু) প্ৰয়োগ কৰে। নাড়ীডাল কটাৰ কাৰণে নৱজাতকৰ নাভিৰ দুই-তিনি আঙুলিৰ ওপৰত প্ৰথমে এৰাঁসূতাৰে টানকৈ বান্ধি লোৱা হয়। এইখিনিতে উল্লেখযোগ্য যে "*নৱজাতক শিশুটি ছোৱালী হ'লে সাত ডাল আৰু ল'ৰা হ'লে ন ডাল এৰাঁসূতাৰে বন্ধাটো পৰম্পৰাগত নিয়ম।*"[৪] এনেদৰে এৰাসূতাৰে ভালদৰে বান্ধি লৈহে নাড়ীডাল কটা হয়। নাড়ীডাল কটাৰ পিছত তাত মাটিৰ বেৰৰ শুকান মাটি লগায় যাতে সোনকালে শুকায়। পূৰ্বৰেপৰা কোচ-ৰাজবংশী সমাজত ধাইসকলে এনেদৰে নাড়ীছেদন কৰা ৰীতিৰ প্ৰচলন আছে। এনেধৰণৰ 'চুচ্কনি' যথেষ্ট পৰিমাণে নিৰ্ভৰযোগ্য আৰু সংক্ৰমণহীন বুলি কোচ-ৰাজবংশী লোকসকল বিবেচনা কৰে। নাড়ী কটাৰ পাছত নৱজাতকক কুলা এখনত নতুন বান্নী (বাঢ়নী)কেইডাল মান পাৰি দি তাৰ ওপৰত কোমল কাপোৰ দি শুৱাই থোৱা হয়। নৱজাতক ছোৱালী হ'লে চাৰি দিন আৰু ল'ৰা হ'লে পাঁচ দিন এনেদৰে শুৱাই ৰাখে।

নৱজাতকৰ নাভিৰ ওপৰত বান্ধি থোৱা অংশখিনি এসপ্তাহ দহ দিনৰ ভিতৰত শুকাই যায় আৰু সৰি পৰে। কোচ-ৰাজবংশী লোকসকলে ইয়াক '**নাস্তি সৰা**' বুলি কয়। তেওঁলোকে এই শুকান অংশটোক ভালদৰে টোপোলা বান্ধি থৈ দিয়ে। কেতিয়াবা শিশুটি পেটৰ কামোৰণিত কান্দিলে সেই শুকান 'নাড়ৰ' অংশটো পানীত তিয়াই থয় আৰু তাৰে পানীখিনি শিশুটিক খুৱায়। এনেদৰে খুৱালে পেটৰ বিষৰ পৰা উপশম পায় বুলি কোচ-ৰাজবংশী লোকসকলে বিশ্বাস কৰে।

## ২.০১.২.৩ চুৰা পেলোৱা পৰ্ব ঃ

কোচ-ৰাজবংশী লোক সমাজত সন্তান জন্ম হোৱাৰ পিছত ল'ৰা হ'লে পাচঁদিনৰ দিনা আৰু ছোৱালী হ'লে চাৰি দিনৰ চুৰা পেলোৱা পৰ্ব পালন কৰে। এই দিনা ঘৰৰ মানুহে ঘৰ-দুৱাৰ, চোতাল মচি চাফা কৰে। 'পোৱাতী ঘৰৰ' কাপোৰ কানি ধুই চাফ-চিকুণ কৰি সোণ-ৰূপ, তুলসীৰ পানী ছটিয়াই ঘৰখন শুদ্ধি কৰা হয়। উক্ত দিনা 'ভাগী' (বংশধৰ)সকলেও ঘৰ-দুৱাৰ মচি চুৰা পেলাই শুদ্ধি কৰি লয়।

কোকৰাঝাৰ জিলাৰ গোসাঁইগাওঁ, গুৰুফেলা, হাব্ৰুবিল, পদ্মবিল, ভাওৰাগুৰী, বাবুবিল, দলগাওঁ, খুলছানী, ডাঙ্গেমাৰা, মোৰামাৰী, চৌতাৰা, শিথিলা, বৰুৱাপাৰা, বলকামাৰী আদি ঠাইত এনেদৰে চাৰি-পাঁচ দিনত চুৰা পেলোৱা কাৰ্যক '**এক কামান**' দিয়া বুলি কয়। "*ৰাজবংশী সম্প্ৰদায়ৰ*

*মাজত যিসকলে সংস্কাৰৰ দ্বাৰা উপবীত গ্ৰহণ কৰি ক্ষত্ৰিয় হৈছে তেওঁলোকৰ অশৌচ তেৰ দিনত শেষ হয় আৰু যিসকলে ক্ষত্ৰিয়  উপবীত গ্ৰহণ কৰা নাই তেওঁলোকৰ অশৌচ এক মাহত শেষ হয়। কিন্তু ক্ষত্ৰিয় বা অক্ষত্ৰিয় সকলো ৰাজবংশী মানুহে সন্তান জন্ম হলে  পাঁচদিন বা সাতদিন বা ন দিনত 'এক কামানী' দিয়ে।"*[৫] উল্লেখযোগ্য যে উক্ত দিনটোত কৰা কাৰ্যক কোকৰাঝাৰ জিলাৰ উত্তৰ আৰু উত্তৰ  পূৱ অঞ্চল যেনে-  ডিমলগাঁও, তিতাগুৰী, বালাগাঁও, বৃহৎ কালীপুখুৰী অঞ্চল, পশ্চিম অঞ্চল যেনে- চন্দ্ৰপাৰা, চিৰাং জিলাৰ বাসুগাঁও, নেহালগাঁও, হেকাইপাৰা, শাকাতি, চিদলী আদি  ঠাইত '**জাতকেৰ চুৰা ফেলোৱা পৰ্ব**' বুলি কয়। এইবোৰ অঞ্চলত এই দিনটোত ঘৰ-দুৱাৰ মচি চাফ-চিকুণ কৰে। মাকে ভালদৰে গা-মূৰ ধুই ভিজা চুলিৰ আগেৰে নৱজাতকৰ গল, কাযলতি, হাত ভৰিৰ ভাজ আদি মচি দিয়ে। এনেদৰে দিলে নৱজাতকৰ গল, কাযলতি ভৰিৰ ভাজ আদিত ঘাঁ নহয় বুলি কোচ-ৰাজবংশী জনসমাজত জনবিশ্বাসৰ প্ৰচলন আছে।

এক কামানত উক্ত অঞ্চলসমূহৰ আচাৰ নীতি কিছু বেলেগ দেখা যায়। উক্ত দিনা নাপিতৰ দ্বাৰা নৱজাতকৰ মূৰত খুৰ লগায় বা চুলি কাটি দিয়ে। মাকৰো নখ কাটি দিয়ে। চুৰা ঘৰ বা পোৱাতী ঘৰৰ কাপোৰ-কানি ধুই, ঘৰ মচি চাফা কৰে। এনে কাৰ্যৰদ্বাৰা চুৰা ঘৰৰ পৰা চুৰা নাইকিয়া হয় বুলি বিশ্বাস কৰে।

## ২.০১.২.৪ মাহেকীয়া চুৰা পেলোৱা পৰ্ব ঃ

কোচ-ৰাজবংশী সমাজত সন্তান জন্মৰ এমাহ পিছত মাহেকীয়া চুৰা পেলোৱা পৰ্ব অনুষ্ঠিত কৰে। কোকৰাঝাৰ আৰু চিৰাং জিলাৰ ঠাই বিশেষে এই পৰ্বটোক '**মাসিকা চুৰা ফেলা**', '**দোকামান**' দিয়া বুলি কয়। এই দিনটোত কোচ-ৰাজবংশী লোকসকলে প্ৰসূতিৰ ঘৰ- দুৱাৰ মচে চোতাল বা ঘৰৰ চৌহদত গোবৰ পানী ছটিয়াই শুদ্ধি কৰে, কাপোৰ কানি ধোৱাৰ লগতে পাকঘৰৰ চৰু, হাড়ী, কেৰাহী আদি সকলো ধুই পৰিষ্কাৰ কৰি শুদ্ধি হয়। উক্ত দিনৰ পৰাই ঘৰখন সম্পূৰ্ণৰূপে শুদ্ধি হৈ চাকি-বন্তি, ধূপ-ধনা দি জ্বলাব পাৰে। কিছুমানে নাম-কীৰ্ত্তন কৰি নৱজাতকক ভালে ৰখাৰ উদ্দেশ্যে ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনায়। গৃহস্থই আৰ্থিক অৱস্থা অনুযায়ী আত্মীয় স্বজন, বন্ধু-বান্ধৱসকলক মাতে। এনেদৰে সন্তান জন্মৰ এমাহৰ অন্তত নৱজাতকৰ লগতে মাক-দেউতাকৰো শুদ্ধিকৰণ পৰ্ব অনুষ্ঠিত কৰে।

## ২.০১.২.৫ নামকৰণ পৰ্ব ঃ

কোকৰাঝাৰ জিলা আৰু চিৰাং জিলাৰ কোচ-ৰাজবংশীসকল অতীতৰেপৰা সন্তান জন্মৰ চাৰি-পাচঁ দিনত চুৰা পেলোৱাৰ দিনাই নামকৰণ পৰ্বটো অনুষ্ঠিত কৰে। উক্ত দিনাখন গাঁও বা অঞ্চলৰ কোনো অভিজ্ঞ ব্যক্তিৰদ্বাৰা পঞ্জিকাত জন্মৰ দিন, বাৰ, তিথি, সময় আদিৰ ওপৰত ভিত্তি কৰি চালিজাৰি চাই ৰাশি নিৰ্ণয় কৰে আৰু ৰাশি অনুযায়ী নৱজাতকৰ দুটা নাম ৰখা হয়। এটা ডাক নাম আৰু আনটো গোপনীয় নাম। গোপনীয় নামটোয়ে নৱজাতকৰ প্ৰকৃত নাম। "*কোচ-ৰাজবংশী সমাজত এনে বিশ্বাস আছে যে গোপনীয় নামটো কোনোবাই জানিলে সেই নাম দি শিশুটিক যাদু মন্ত্ৰ কৰিব পাৰে।*"[৬] নৱজাতকৰ নাম ৰখাৰ ক্ষেত্ৰতো কিছু পদ্ধতিৰে ৰখা হয়-দুখন বগা কাগজত নৱজাতকৰ নাম দুটা লিখি কাগজ দুখনৰ ওপৰত এটা এটাকৈ মাটিৰ চাকি জ্বলায়, যিটো নামৰ চাকিটো বেছি সময় জ্বলি থাকে সেইটোকে নৱজাতকৰ নামকৰণ কৰা হয়। বেছি সময় জ্বলা কথাটোৱে দীৰ্ঘায়ু তথা যশস্যা কীৰ্তিৰ ধাৰণা দিয়ে। পৰম্পৰাগতভাৱে প্ৰচলিত এনে ৰীতি কোচ-ৰাজবংশী লোকসমাজত স্থান বিশেষে এতিয়াও প্ৰচলন আছে।

## ২.০১.২.৬ অন্নপ্ৰাশন ঃ

কোচ-ৰাজবংশী লোক সমাজত জন্মৰ সৈতে জড়িত লোকচাৰ বোৰৰ ভিতৰত 'অন্নপ্ৰাশন' পৰ্বটো অন্যতম। অন্নপ্ৰাশন মানে 'মুখত ভাত দিয়া পৰ্ব'। নৱজাতকৰ দাঁত নগজাৰ আগতে এই পৰ্বটো অনুষ্ঠিত কৰা হয়। সন্তানটি ল'ৰা হ'লে যোৰা মাহত আৰু ছোৱালী হলে বেযোৰা মাহত শুভ দিন বাৰ চাই অনুষ্ঠানটো আয়োজন কৰে। গৃহস্থই আৰ্থিক সামৰ্থ্য অনুযায়ী অতিথিক নিমন্ত্ৰণ জনায়। অন্নপ্ৰাশন অনুষ্ঠানটো বিভিন্ন নীতি নিয়মৰ মাজেৰে পালন কৰা হয়। কোচ-ৰাজবংশী লোক সমাজত প্ৰচলিত নিয়ম অনুসৰি এই দিনটোত মোমায়েকেহে শিশুটিক প্ৰথম মুখত ভাত দিয়ে। ইয়াৰ দ্বাৰা মোমায়েকৰ সৈতে বন্ধন সুদৃঢ় হয়। পূৰ্বতে নিজৰ মোমায়েক নাথাকিলেও সম্পৰ্কীয় মোমায়েকে খুৱাইছিল। উক্ত দিনটোত শিশুটিক গা পা ধুৱাই নতুন কাপোৰ পিন্ধায় আৰু পৰাপক্ষত দিনত বাৰ বজাৰ আগতে ভাত খুৱায়। মোমায়েকে নৱজাতকক কাঁহৰ নতুন কাঁহী বাতি, লোটা, নতুন কাপোৰ, সামৰ্থ্য অনুযায়ী সোণ বা ৰূপৰ অলংকাৰ আদি উপহাৰ দিয়ে। মোমায়েকে উপহাৰ দিয়া কাঁহৰ কাহী বাতিত ভাত, আঞ্জা ভাজি সজাই দিয়ে আৰু মোমায়েকে শিশুটিক কোলাত বহুৱাই লৈ ভাত মুখত দিয়ে। ভাতৰ লগত মিঠাই, পায়স আদিও খুৱায়।

ভাত খুওৱাৰ পিছত এখন কুলাত ধান, মাটিৰ চপৰা, কিতাপ-কলম, টকা সোণ- ৰূপ আদি থৈ শিশুটিৰ সন্মুখত ৰাখি চুবলৈ দিয়ে। কোচ-ৰাজবংশী জনসমাজত প্ৰচলিত বিশ্বাস অনুসৰি শিশুটিয়ে ধান চুলে খেতিয়ক, মাটিৰ চপৰা চুলে মাটি তথা সা সম্পত্তিৰ গৰাকী, কিতাপ কলম চুলে জ্ঞানী, টকা পইচা চুলে পইচা থকা লোক হ'ব। এনেদৰে অন্নপ্ৰাশনত কৰা এনে ৰীতিৰ জৰিয়তে গৃহস্থই শিশুটি ভৱিষ্যতে কেনেদৰে গঢ় লব তথা জীৱন বৃত্তি সম্পৰ্কে অনুমান কৰিব পাৰে। এনে লোক বিশ্বাসৰ ওপৰত ভিত্তি কৰিহে উক্ত ধৰণৰ আচাৰ নীতি পৰম্পৰাগতভাৱে চলি আহিছে। অঞ্চলভেদে অন্নপ্ৰাশন অনুষ্ঠানত ব্ৰাহ্মণৰ দ্বাৰা হোম যজ্ঞ অনুষ্ঠিত কৰাও পৰিলক্ষিত হয়। অন্নপ্ৰাশন উপলক্ষে গৃহস্থই সামৰ্থ্য অনুসৰি অথিতিক নিমন্ত্ৰণ কৰি আপ্যায়িত কৰে। এনেদৰে কোচ-ৰাজবংশী সকলে বিভিন্ন ৰীতি নীতি মাজেৰে প্ৰায় সকলো ঠাইতে অন্নপ্ৰাশন বা মুখত ভাত দিয়া পৰ্বটো অনুষ্ঠিত কৰে।

**২.০১.২.৭ চূড়াকৰণ ঃ**

কোচ-ৰাজবংশী সমাজত জন্মৰ সৈতে জড়িত লোকাচাৰসমূহৰ ভিতৰত ওপৰত আলোচনা কৰা ৰীতি-নীতিৰ বাহিৰেও আন এক লোকাচাৰৰ প্ৰচলন দেখা যায় সেয়া হ'ল চূড়াকৰণ। কোকৰাঝাৰ আৰু চিৰাং জিলাৰ কোচ-ৰাজবংশী সকলৰ মাজত চূড়াকৰণ পৰ্বটো খুব কম অঞ্চলত প্ৰচলন হোৱা দেখা যায়। এই পৰ্বটো কেৱল পুত্ৰ সন্তানৰ বাবেহে। পুত্ৰ সন্তানৰ জন্মৰ পাছত প্ৰথম চুলি খুৰোৱা নিয়মক চূড়াকৰণ বুলি কোৱা হয়। চূড়াকৰণ অনুষ্ঠানটি কেৱল কোচ-ৰাজবংশী লোকসকলৰ মাজতেই সীমাবদ্ধ নহয়, ব্ৰাহ্মণ, বৈশ্য, শূদ্ৰ আদি আন আন লোকসকলৰ মাজতো অনুষ্ঠিত কৰা দেখা যায়। এই অনুষ্ঠানটিৰ লগত জড়িত বৈদিক আচাৰ-নীতিসমূহ সকলোৰে মাজত প্ৰায় মিল আছে। কোচ-ৰাজবংশী লোকসকল স্থান বিশেষে ইয়াক 'বুঢ়ীৰ চুল খৰাই' বুলি কয় আৰু জন্মৰ ১৮ মাহত এই পৰ্বটো পালন কৰে। ইয়াৰ উপৰিও কিছুমানে তিনি বছৰতো পালন কৰে।

কোকৰাঝাৰ জিলাৰ উত্তৰ পূৱ অঞ্চল অৰ্থাৎ কালীপুখুৰী অঞ্চলত চূড়াকৰণৰ গীত পদৰ প্ৰচলন অতীতৰ পৰা আছিল। এনে গীতবোৰ সাধাৰণতে 'নামাতি দলে' পৰিৱেশন কৰিছিল। '**নামাতি দল**' হ'ল কেইগৰাকী মহিলাৰ দল যিয়ে কোচ-ৰাজবংশী লোকসমাজত অনুষ্ঠিত কেতবোৰ বিশেষ আচাৰ-অনুষ্ঠানত গীত পৰিৱেশন কৰে। চূড়াকৰণ অনুষ্ঠানটিৰ বিভিন্ন স্তৰ অনুযায়ী গীতবোৰ

গোৰা দেখা যায়। তলত সেইবোৰৰ নিৰ্দেশন আগবঢ়োৱা হ'ল-

আমন্ত্ৰিত নামাতি দলটো যেতিয়া গৃহস্থৰ পদূলি মুখ পাব তেতিয়া এনেদৰে গায়-

*"নিমন্ত্ৰণ কৰিছে ৰামে*

*ঋষিৰামেৰ হাতে*

*নামাতি আহিছে ৰাম কলৰ তলে*

*আহিছে নামতি বহিছে বাটত*

*চিঠি পত্ৰ পাইছুং আমি নাৰদেৰ হাতত*

*হিলে পানী দিলে ভাঙেয়া আহিলুং আমি দ্বাৰকাৰে পুৰী*

*পাহাৰত পৰিছে টিটা না টিপালি*

*ডালত পৰি কান্দে টুনি*

*আধাৰা বহন ছাৰিয়া আহিলুং বিয়াৰে বাতৰি শুনি।*

*ধাৰাতো নবছং*

*দলিছা পাৰিয়া দেক বছং*

*পৰাক দিলো ধাৰা কাইটাৰ*

*আমাক দিলো মাটি*

*বহিবাকে আনিয়া দিলো খানি খেৰ আঠি।"*[৭]

*শিশুটিক তেল চৰোৱাৰ সময়ত এনেদৰে গায়-*

*"তেল চৰা পিৰা খিনি*

*তাৰো চাৰি খুৰা*

*ৰাম ৰাজাক তেল চৰায়*

*তাতে বসিয়া*

*বাপুৰে মাথাতে পাথাৰো তুলিছে*

*শ্ৰী আংঠি দিয়া*

*বামুনো আহিছে বাইয়ো আহিছে*

*তেলো ধাৰে ধাৰে দিয়া। হে ৰাম*

*হে পঞ্চৰে দুবৰি আনা হ'ল চাবুৰি*

*তেল চৰাবাৰ বনি হে।।"৮*

তেল চৰোৱা হোৱাৰ পাছত নাপিতে শিশুটিৰ চুলি খৰায়। তেনে সময়তে নামাতিসকলে নাপিতক উদ্দেশ্যি এনেদৰে গীত গায়-

*"দক্ষিণেৰে পাৰা*

*নাপিত আহেক নামি*

*কাণতে থুৰুঙি লয়াহে,*

*বাপৰ লাগা চুলিখানি থৈলোক ভাগে ভাগে*

*মাওৰ আগত দিবি চুলি*

*ৰাখিব যতনে ।*

*নাপিতৰে চাওৰা*

*ভালকৰেয়া কামাবি*

*মূৰেৰে ওলাব তেজ হে,*

*বৰেৰ যাদুৰ বাচা*

*মৰে বাখৈ ৰাজ*

*চাতমুখে একবাৰ*

*মাও বুলিয়া দাক*

*বোকে নিল মোৰ জাদৰ বাদা। "৯*

এনেদৰে চুলি কটাৰ পিছত শিশুটিক গাত মাহ-হালধি সানি গা-পা ধুৱাই নতুন কাপোৰ পিন্ধায়। কাপোৰ পিন্ধোৱাৰ সময়ত গোৱা গীত-

*"সৰগৰে অ তাৰা*

*বৰফে ঘিৰিছে*

*বাপুকে ঘেৰিছে*

*ৰূপে হে ৰাম ।*

*আছু ধান কাটিলো*

*নাৰা না চিলিকায়*

*চিলিকায় কাটাৰিৰ দাপ*

*অনা বিছনি খাবাৰো কমনি*

*কাটাৰিৰ আগালত নুন।*

*আমাৰ বাপু ধুইয়া তুলিদে*

*যেন দেখং*

*ডালিমেৰ ফুল হে।”*[১০]

এনেদৰে সকলোবোৰ আচাৰ নীতিবোৰ শেষ হোৱাত পাছত নিমন্ত্ৰণ জনোৱা অতিথিসকলে শিশুটিক আৰ্শীবাদস্বৰূপে উপহাৰ দিয়ে। এইখিনিতে উল্লেখযোগ্য যে কোকৰাঝাৰ জিলা আৰু চিৰাং জিলাৰ কোচ-ৰাজবংশী লোকসকলে সকলোৰে চূড়াকৰণ অনুষ্ঠানটো বাধ্যতামূলকভাৱে পালন নকৰে। যিসকল আৰ্থিকভৱে স্বচ্ছল, অথবা সকলোবোৰ সা-সুবিধাৰ আয়োজন কৰিব পাৰে তেওঁলোকেহে চূড়াকৰণ পাতে।

## ২.০২ বিবাহৰ সৈতে জড়িত লোকাচাৰ আৰু লোকবিশ্বাস ঃ

কোচ-ৰাজবংশী সমাজত বিবাহৰ সৈতে জড়িত বহুতো আচাৰ নীতি পৰম্পৰাগতভাৱে প্ৰচলন হৈ আহিছে। সাধাৰণতে বিবাহ অনুষ্ঠানক দুটা স্তৰত ভাগ কৰিব পাৰি - (১) সৰু বিয়া বা ধুৱানি (২) বৰ বিয়া বা প্ৰকৃত বিয়া

## ২.০২.১ সৰু বিয়া বা ধুৱানি ঃ

কোকৰাঝাৰ অঞ্চলত আৰু চিৰাং জিলাৰ কোচ-ৰাজবংশী অধ্যুষিত সকলোবোৰ অঞ্চলত সৰু বিয়া ধুৱানিৰ প্ৰচলন দেখা নাযায়, কেতবোৰ অঞ্চলতহে পৰম্পৰাগতভাৱে চলি আহিছে আৰু এতিয়াও বিদ্যমান। কোচ-ৰাজবংশী লোক সমাজত প্ৰচলিত সৰু বিয়া বা ধুৱানি সম্পূৰ্ণৰূপে এক নাৰীকেন্দ্ৰিক অনুষ্ঠান। ই নাৰীসকলৰ জন্ম আৰু বৰ বিয়াৰ এক মধ্যৱৰ্তী অনুষ্ঠান। ‘ধুৱানি’ মানে অকুমাৰী ছোৱালী কুমাৰী বা পুষ্পিতা হোৱাকে বুজায়। কোচ-ৰাজবংশী সমাজত ইয়াক

স্থান বিশেষে 'যুৱান হোৱা', 'ঋতুমতী হোৱা', 'কন্যা হোৱা' বুলিও কয়। ছোৱালী এজনী পুষ্পিতা বা ঋতুমতী হোৱাৰ প্ৰথম দিনৰ পৰা হবিচ বা ব্ৰত শেষ নোহোৱা পৰ্যন্ত বহুতো আচাৰ-নীতি পালন কৰিবলগীয়া হয়। 'ধুৱানিৰ' লগত জড়িত গীত পদৰো নিদৰ্শন পোৱা যায়। পুষ্পিতা হোৱাৰ লগে লগে ছোৱালীজনীক 'চুৱা' বুলি ধৰা হয় আৰু তাইক বৰ ঘৰৰ উত্তৰকোণত আছুতীয়াকৈ মাটিত ঢৰা বা ধান খেৰৰ বিছনা সাজি ৰখা হয়। ৰখা সময়ত 'চালাঙী' (চালনী) আৰু কলৰ পটুৱাৰে 'চালাঙী বাতি' সজায় য'ত এখন আগলতি কলৰ পাতত ৩-৫ টা মাটিৰ চাকি জ্বলাই চাউলৰ ডুনী এটাত এযোৰা তামোল-পাণ, এটকা আৰু সেন্দূৰ ৰখা হয়। আৰু সেই সেন্দূৰৰ ফোঁট পিন্ধাই চাউল ছটিওৱা হয়। 'চালাঙী বাতিত' থকা চাকিকেইটা প্ৰথম দিনৰ পৰাই একেৰাহে চাৰি দিন পৰ্যন্ত জ্বলি থাকিব লাগে আৰু প্ৰত্যেক দিনাই ছোৱালীজনীক দুবাৰকৈ চাউল ছটিওৱাটো বাঞ্ছনীয়। কোচ-ৰাজবংশী সমাজত প্ৰচলিত লোকবিশ্বাস মতে এনে সময়ছোৱাত ছোৱালীজনী পুৰুষক চোৱাটো নিষেধ। চালে পুৰুষজনৰ আয়ুস ক্ষয় হয়। ইয়াৰ উপৰিও ঘৰৰ বাহিৰত ওলাব নোৱাৰে, মাটি চুব নোৱাৰে, চন্দ্ৰ, সূৰ্য, জীৱ-জন্তু চোৱাটোও অমংগলজনক সূচায়। সেই চাৰিদিন তাইক কোনো ধৰণৰ গৰম বস্তু খাবলৈ দিয়া নহয় কেৱল ফলমূল, এৰাঁ গাখীৰ, পানীহে খাব পাৰিব।

ছোৱালীজনী পুষ্পিতা হোৱাৰ দিনা বা পিছদিনা গণকৰ হতুৱাই গণনা কৰে। ছোৱালীজনী ৰজস্বলা হোৱা সময়, মাহ, তিথি পক্ষ, বাৰ, নক্ষত্ৰৰ অৱস্থান অনুযায়ী ছোৱালীজনী কি কন্যা (পদ্মিনী, চিত্ৰিনী, শাংঙ্খিনী, হস্তিনী) আৰু কি যোগ (শুভ-অশুভ) পাইছে সেয়া গণকে গণনা কৰি দিয়ে। শুভ যোগ হ'ল পতিহিতা, কান্তা আৰু সুভাগা আৰু অশুভ যোগ হ'ল পতিহীনা, বেশ্যা, দুৰ্ভগা, দুঃশীলা। অশুভ যোগ উঠি বহুত দোষ পালে তাৰ প্ৰতিকাৰস্বৰূপে কেতবোৰ নিয়ম পালন কৰিলেহে বেয়া দোষবোৰ পৰা পৰিত্ৰাণ পোৱা যায় বুলি কোচ-ৰাজবংশী লোকসমাজত লোকবিশ্বাস আছে। যোগ ফলাফল আৰু কন্যা অনুযায়ী কিছুমানৰ সাত দিন, যোল্লদিন, একৈশ দিন, ডেৰ মাহ পৰ্যন্ত হবিচ খাব লাগে।

কোচ-ৰাজবংশী সমাজত পুষ্পিতা হোৱা ছোৱালীজনীৰ গা ধুৱাবৰ বাবে এগৰাকী 'গাওধানি' লাগে। ছোৱালীজনীতকৈ বয়সত ডাঙৰ, সম্বন্ধত ডাঙৰ যেনে- মাহী, মামী, বাইদেউ, বৌ সকলে গাওধানি হ'ব পাৰে।

চাৰি দিনৰ দিনা সকলো নিমন্ত্ৰণী আয়তীসকলে আহোঁতে লগত অলপ চাউল, ফুল, আলু আদি লৈ আহে। এইখিনিতে উল্লেখযোগ্য যে "*সাত ঘৰৰ পৰা এনেদৰে অনা চাউল, ফুল আদিৰেহে ধুৱানিৰ নিয়ম সম্পন্ন কৰাটো বাঞ্ছনীয়।*"[১১] গা ধুৱাবৰ বাবে বৰঘৰৰ পিছফালে পূৱ দিশত এটা কলগছ পুতি লৈ তলত কলগছৰ ছটি (কলগছ কাটি দুফাল কৰিলে তাক ছটি বোলে) পাৰি দিয়ে। নিৰ্দ্দিষ্ট সময়ত গাওধানিয়ে ছোৱালীজনীক বোকোছাত লৈ উৰুলি দি ঘৰৰ ভিতৰৰ পৰা উলিয়াই আনি গা ধুৱায়। গা ধুৱাবলৈ অনা কলহীৰ পানীত বিবিধ ফুল দিয়ে। ছোৱালীজনীক গা ধুৱাৰৰ সময়ত এনেদৰে গীত গোৱা হয় ঃ-

*"ৰাম, কলৰ পুলি*

*বায়ে থৈছে তুলি।*

*ধুৱাব ধুৱাব বুলিয়ে......*

*"কলৰে তলিতে নোৱালে ধুৱালে*

*গাৰে নগলে মলি কি*

*অ' হৰি ৰাম..........................* "[১২]

এনেদৰে গা ধুওৱাৰ পিছত কিছুমানে ছোৱালীজনীক ৰভাতলিত আৰু কিছুমানে ঘৰৰ ভিতৰত সজায়। ৰভাতলিত সকলোৰে দেখাকৈ সজালে ছোৱালীজনীৰ যোগ অনুসৰি উঠা বেয়া দোষবোৰৰ পৰা পৰিত্ৰাণ পায় বুলি কোচ-ৰাজবংশী লোকসকলে বিশ্বাস কৰে। ছোৱালীজনীক সজোৱাৰ সময়তো গীতৰ প্ৰচলন মনকৰিব লগীয়া-

*"আমাৰ আয়াৰ চুলি*

*কৰে ঝুলা ঝুলি*

*বান্ধিছে ভোমৰা খোপাহে*

*মাহীয়ে আহিয়া মাথাটা চুচিয়া*

*খোপাটা বান্ধিয়া দিলেহি*

*অ' হৰি ৰাম.............* "[১৩]

এনেদৰে এফালে ছোৱালীজনীক সজাই থাকে আৰু আনফালে ৰভাতলিত নীতি নিয়মখিনি সুচাৰুৰূপে পৰিচালনা কৰিবৰ বাবে এগৰাকী ‘দেউৰী’ থাকে। ‘দেউৰীয়ে’ ৰভাতলিত এটা মণ্ডপ সজায়, মণ্ডপৰ আগত কলপাতৰ আসন পাতি চাকি জ্বলায় আৰু পূৰফালে পাঁচ খন প্ৰসাদৰ থালি সজায়। সেইদিনা নতুনকৈ এখন ‘চালাঙী-বাতি’ বনায় আৰু এযোৰ ‘ঝাপাকুপা’ সজায়। ‘ঝাপাকুপা মানে দুটা ডোন বা টুকুলী, এটা দৰাৰ নামত আৰু আনটো কইনাৰ নামত সজোৱা হয়। দৰাৰ নামত সজোৱা ডোনটো বগা কাপোৰেৰে ঢাকি দিয়ে আৰু তাৰ ভিতৰত ৭ যোৰ যোৰ তিৰধেনু (যাত্ৰাছিজিৰ গছৰ ডালেদি বনোৱা) ৭ যোৰ তামোল-পাণ ৰাখে। আনহাতে কইনাৰ নামত সজোৱা ডোনটো ৰঙা কাপোৰেৰে ঢাকি তাৰ ভিতৰত ৭ যোৰ তামোল পাণ, ফুল, চাউলৰ গুড়ি, কলগছৰ পৰা বনোৱা পুতলা ‘গাজীৰাম’ক  ৰাখে। ভৱিষ্যতে বিয়া হোৱাৰ পিছত যাতে ছোৱালীজনী সন্তানৰ মুখ দেখা পায় তাৰ বাবে সন্তানৰ প্ৰতীকৰূপে ‘গাজীৰামক’ ৰখা হয়। মণ্ডপৰ দক্ষিণফালে কলফুলেৰে অৰ্ঘা ঢালিবৰ বাবে এটা শিলত অলপ গোবৰ দি তাৰ ওপৰত কেইডালমান দুবৰিবন গুজি দিয়া হয়। ছোৱালীজনীৰ যোগ অনুসৰি কিছুমানৰ অৰ্ঘা ৭ টা, ১৫ টা, ২১ টা, ও হ’ব পাৰে. অৰ্ঘা ঢালিবৰ বাবে ‘গোশ্চি ’ (নিয়ৰজল, গৰুৰ মূত্ৰ, এৰাঁ গাখীৰ) লাগে। এনেদৰে সকলোবোৰ ঠিক ঠাক হোৱাৰ পিচত ছোৱালীজনীৰ হতুৱাই নীতি নিয়মখিনি পালন কৰিবৰ বাবে আসনত বহুৱায়। প্ৰথমতে, দক্ষিণফালে মুখ কৰি অৰ্ঘা ঢালে তাৰ পিছত পূৰফালে  পূজা কৰে। ইয়াৰ পিছত দেউৰী, গাওধানি (হাতত চালাঙী বাতি লৈ) আৰু কইনাজনী মণ্ডপৰ চাৰিওফালে ৭ বাৰ ঘূৰে আৰু প্ৰত্যেকবাৰতে দেউৰী গৰাকীয়ে বগা কাপোৰেৰে ঢকা ডোনৰ পৰা এযোৰ তিৰধেনু, এযোৰ তামোল-পাণৰ লগতে নিমন্ত্ৰণী সকলে অনা চাউল ফুলৰ পৰা ফুল লৈ কইনাৰ ‘কন্দলাত’ (কোলাত) দিয়ে। সেইদৰে ৰঙা কাপোৰেৰে ঢকা ডোনৰ পৰাও এযোৰ তামোল-পাণ ফুল দিয়ে আৰু একেবাৰে শেষ বাৰত অৰ্থাৎ ৭ বাৰত ‘গাজীৰামক’ কইনাজনীৰ ‘কন্দলাত’ তুলি দিয়ে। এনেদৰে ঘূৰা শেষ হোৱাৰ পাছত কইনাজনীৰ ‘কন্দলাৰ’ পৰা এযোৰ তামোল-পাণ, এযোৰ তিৰধেনু,  ফুল লৈ  প্ৰথমে পূৱ দিশত আৰু ক্ৰমন্বয়ে পশ্চিম, উত্তৰ, দক্ষিণ, উৰ্ধ অধ দিশতো দলিয়ায়। কোলাত থকা অৱশিষ্টখিনি মূৰৰ ওপৰেদি পিছফালে ওলোটাই পেলাই দিয়ে আৰু ৰাইজৰ সন্মুখত এবাৰ সেৱা জনাই ঘৰৰ ভিতৰলৈ সোমায়। সেই পেলোৱা অৱশিষ্টখিনি সকলোৱে

তুলি ল'বলৈ হেতাওপৰা লগায় কিয়নো এইবোৰ ঘৰৰ ফলধৰা গছৰ গুৰিত দিলে বেছিঁকৈ ফল ফলে বুলি কোচ-ৰাজবংশী সমাজত লোকবিশ্বাস প্ৰচলন আছে। ইয়াৰ পিছত 'গাজীৰামক' লৈ কইনাজনীৰ আইতা, জেঠী-খুড়ী, মা সকলোৱে পিঠিত বোকোছাত লৈ হাঁহি ধেমালি কৰে। কোচ-ৰাজবংশী সমাজত 'গাজীৰামক' লৈ গীতৰ প্ৰচলন  লক্ষণীয়-

*"ঘূৰি ঘূৰিয়া ঘূৰি আয়া*

*ঘূৰে কি কাৰণে*

*আঘোণ মাইছা পুত্ৰ পাইছে*

*কোলা ল'ব কোনে? "*[১৪]

ইয়াৰ পিছত 'গুড়া খেলা' প্ৰথাও প্ৰচলন আছে। গুড়া খেলাৰ পিছত সধবা নাৰীসকলে 'সেন্দূৰ খেল' খেলে। শেষত সকলোৱে প্ৰসাদ গ্ৰহণ কৰে আৰু গৃহস্থই সামৰ্থ্য অনুযায়ী আয়োজন কৰা ভোজ ভাত খায়।

উক্ত নিয়মেৰে দিনজোৰা কাৰ্যসূচী হোৱাৰ পিছত সেই দিনৰপৰা ছোৱালীজনী হবিচ (এক সিদ্ধ ভাত) খাব লাগে। সাধাৰণতে হবিচ খাবলৈ ছোৱালীজনী 'গাওধানিৰ' ঘৰলৈ যাব লাগে যদিও আজিকালি ঘৰতে হবিচ খায়। 'হবিচ' খাবলৈ কলগছৰ পুলিৰে চৌকা বনায় আৰু দিনত দুবাৰহে খাব লাগে। "*ছোৱালীজনীৰ যোগৰ ফলাফল অনুযায়ী পদুমৰ পাতত কুঁহিয়াৰ পাতত শিলৰ পাত্ৰত বা কলৰ পাতত খাব লাগে।*"[১৫] 'হবিচ' খোৱা দিনকেইটাত ছোৱালীজনী নদী পাৰ হ'ব নাপায়, খেতি পথাৰৰ আলি পাৰ হ'ব নাপায়। বাঁহ মাটিত পৰি থাকিলে তাৰ ওপৰেদি পাৰ হৈ যাব নাপায়। এনেদৰে 'হবিচ' শেষ হোৱাৰ পিছদিনা ব্ৰাহ্মণৰ হতুৱাই প্ৰায়শ্চিত্ত কৰোৱাৰ লগতে দান দক্ষিণাও দিয়া হয়।

## ২.০২.২ বৰ বিয়া বা প্ৰকৃত বিয়া ঃ

"*বিবাহ' অভিধাটিৰ বুৎপত্তিমূলক অৰ্থ হৈছেঃ বি-বিত ঘএও্ ভাৰ ঃ অৰ্থাৎ বিশেষকৈ দায়িত্ব বহন, যি প্ৰক্ৰিয়াৰ জৰিয়তে স্বামী-স্ত্ৰী উভয়ে সাংসাৰিক আধ্যাত্মিক, নৈতিক ধাৰ্মিক আদি দিশত দায়িত্ব বহন কৰিবলগীয়া হয় তাৰ নামেই বিবাহ।*"[১৬] জীৱন বৃত্তৰ লগত জড়িত উৎসৱ অনুষ্ঠানসমূহৰ ভিতৰত বিবাহ অন্যতম। বিবাহ এক পৱিত্ৰ সামাজিক বান্ধোন তথা দায়িত্ব।

জাতি-বৰ্ণ নিৰ্বিশেষে সকলো জাতি জনগোষ্ঠীৰ সমাজত বিবাহ এক উৎকৃষ্ট সামাজিক অনুষ্ঠান বুলি বিবেচনা কৰা হয়। প্ৰতিটো জাতি-জনজাতিৰ বিবাহ অনুষ্ঠানবোৰত স্বকীয় বৈশিষ্ট্য প্ৰতিফলিত হয় আৰু এনেবোৰ অনুষ্ঠানত সেই বিশেষ জাতি বা জনগোষ্ঠীটোৰ লোকসংস্কৃতিৰ বিভিন্ন সমল বিচাৰি পোৱা যায়। কোচ-ৰাজবংশী জনগোষ্ঠীৰ বিবাহ পদ্ধতি তথা ইয়াৰ সৈতে জড়িত বিভিন্ন আচাৰ নীতি আদিয়ে স্বকীয়তাৰ পৰিচয় দাঙি ধৰে।

কোচ- ৰাজবংশীসকলৰ মাজত পৰম্পৰাগতভাৱে কেইবাবিধো বিবাহৰ প্ৰচলন আছে-

১) প্ৰজাপতি বিবাহ

২) গন্ধৰ্ব বিবাহ

৩) দামদুমীয়া বিবাহ

৪) ঢোকা বিবাহ

৫) ঘৰজেয়া ৰখা বিবাহ

৬) ধূপ-চাউল দিয়া বিবাহ

কোকৰাঝাৰ আৰু চিৰাং কোচ-ৰাজবংশীসকলৰ মাজত প্ৰাচীন কালৰেপৰা ওপৰত উল্লিখিত বিবাহসমূহৰ প্ৰচলন আছে যদিও প্ৰথাৰে ব্ৰাহ্মণ পুৰোহিতৰদ্বাৰা সম্পন্ন কৰা প্ৰজাপতি বিবাহেই সৰ্বজনস্বীকৃত বিবাহ। সেয়ে সামাজিকভাৱে অনুষ্ঠিত প্ৰজাপতি বিবাহৰ সৈতে জড়িত বিভিন্ন নীতি নিয়মবোৰ তথা পৰম্পৰাগতভাৱে প্ৰচলিত লোকাচাৰসমূহৰ বিষয়ে আলোচনা আগবঢ়াবলৈ প্ৰয়াস কৰা হৈছে। কোচ-ৰাজবংশী লোকসমাজত প্ৰচলিত বিবাহ অনুষ্ঠানক তলত উল্লেখ কৰা বিভিন্ন স্তৰ বা পৰ্বৰ মাজেদি সম্পন্ন কৰা হয়।

ক) কইনা চোৱা পৰ্ব

খ) ধান টাকা দেৱা প্ৰথা

গ) পানচিনি বা নিৰীক্ষণ পৰ্ব

ঘ) অধিবাস বা বিয়াৰ আগদিনা পালনীয় ৰীতি নীতি

ঙ) বিয়াৰ দিনা পালনীয় আচাৰ নীতি

চ) দৰা ঘৰত ন-কইনা আদৰা পৰ্ব

ছ) বিয়াৰ প্ৰীতিভোজ বা ৰান্ধন দিয়া পৰ্ব

জ) টোপোলা ফিৰা (আঠমঙ্গলা) পৰ্ব আদি।

কোচ-ৰাজবংশী জনগোষ্ঠীৰ বিবাহ অনুষ্ঠান উক্ত পৰ্ববোৰ মাজেদি সম্পন্ন হয় আৰু বিভিন্ন আচাৰ নীতিৰ লগতে গীতৰো প্ৰচলন মনকৰিবলীয়া। তলত এই পৰ্ববোৰৰ বিষয়ে আলোচনা আগবঢ়োৱা হ'ল-

## ২.০২.২.১ কইনা চোৱা পৰ্ব ঃ

কোকৰাঝাৰ আৰু চিৰাং জিলাৰ কোচ-ৰাজবংশী লোকসমাজত অতীতৰে পৰা সামাজিকভাৱে অনুষ্ঠিত বিবাহ অনুষ্ঠানত বিভিন্ন স্তৰ তথা পৰ্বৰ প্ৰচলন আছে। সেইবোৰৰ ভিতৰত কইনা চোৱা পৰ্বটো অন্যতম তথা আৰম্ভ পৰ্ব। কোচ-ৰাজবংশী লোকসকলৰ বিবাহ এখন সুচাৰুৰূপে সম্পন্ন হোৱাৰ ক্ষেত্ৰত দৰাপক্ষ আৰু কইনাপক্ষৰ মধ্যস্থতাকাৰী হিচাপে এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে 'ঘটক' বা কাৰবাৰীয়াই। ঘটকে দুয়োপক্ষৰ সন্মতি প্ৰদান অনুযায়ী বিবাহ কাৰ্য আৰম্ভ কৰে। কইনা চোৱাৰ ক্ষেত্ৰত কোচ-ৰাজবংশী জনসমাজত অতীতৰেপৰা কেতবোৰ লোকবিশ্বাসৰ প্ৰচলন আছে। দৰাপক্ষৰ লোকে কইনা চাবলৈ যোৱাৰ পথত ধাননি পথাৰৰ পৰা কোনো লোকে ধান বান্ধি লৈ যোৱা, কোনো লোকে মাছ মাৰি ঘূৰি অহা আদি দেখিলে যাত্ৰা শুভ বুলি বিশ্বাস কৰে। এইখিনিতে উল্লেখযোগ্য যে "*কোকৰাঝাৰ জিলাৰ গোসাঁইগাওঁ মহকুমাৰ অন্তৰ্গত অঞ্চলসমূহত যাত্ৰাৰ সময়ত মৰাশ কান্ধত লৈ যোৱাটো যাত্ৰা অশুভ বুলি বিশ্বাস কৰে।*"[১৭] যিটো কোকৰাঝাৰ জিলাৰ অন্যান্য অঞ্চল আৰু চিৰাং জিলাত শুভ বুলি বিশ্বাস কৰে। আনহাতে, যাত্ৰাৰ সময়ছোৱাত খালী কলহ, কোনোৱে মাটি খান্দি থকা, বাঁহ কাটি থকা, মেকুৰী আগফালেদি পাৰ হৈ যোৱা, পথত দুৰ্ঘটনা দেখিলে অথবা দুৰ্ঘটনাত পতিত হ'লে যাত্ৰা অশুভ বুলি বিশ্বাস কৰে। যেতিয়া দৰাঘৰৰ লোক কইনা ঘৰত উপস্থিত হৈ দুৱাৰ খোলা দেখে, ছোৱালীজনীয়ে 'ঝাড়ু' মাৰি থকা দেখে গোহালিত গোবৰ পেলাই থকা দেখিলে, চোতালত ধান মেলি দিয়া আদি দেখিলে শুভ লক্ষণ বুলি বিশ্বাস কৰে। কোকৰাঝাৰ জিলাৰ গোসাঁইগাওঁ মহকুমাৰ অন্তৰ্গত অঞ্চলসমূহৰ বাহিৰে কোকৰাঝাৰ জিলাৰ আন ঠাইসমূহত তথা চিৰাং জিলাৰ অঞ্চলসমূহতো চোতালত 'ঝাড়ু'মাৰি থকা দেখাটো অমংগলজনক সূচায়। ইয়াৰোপৰি, তিতা কাপোৰ পিন্ধি থকা, চুলি মেলি থকা, কাজিয়া পেছাল আদি দেখিলে অশুভ লক্ষণ বুলি বিশ্বাস কৰে।

## ২.০২.২.২ ধান টাকা দেৰা প্ৰথা ঃ

কোকৰাঝাৰ আৰু চিৰাং জিলাৰ কোচ-ৰাজবংশী সমাজত প্ৰাচীন কালৰেপৰা প্ৰচলিত এটি প্ৰথা হ'লে ধান টাকা দেৰা প্ৰথা। দৰাপক্ষ আৰু কইনাপক্ষ উভয়ৰে সিদ্ধান্ত ঠিক হোৱাৰ পাছতেই এটা বিশেষ দিনত কইনাপক্ষক ধান টাকা দিব লাগিছিল। ইয়াৰ বাবে দৰাপক্ষই কিছুমান সামগ্ৰী আনিব লাগিছিল যেনে- ধানৰ বস্তা, খাহী ছাগলী, তামোল-পাণ, টকা আদি। ইয়াৰোপৰি সাধ্য অনুসৰি দৈ, চিৰা, মিঠাই আদিও আনিছিল-

*"যথা ধান আঢ়ৈ বিচি,*
*টাকা সাত কুৰি দশ টাকা*
*এটা বৰো খাহী ছাগল*
*ৰাইজৰ আয় দায় টাকা*
*দুয়াৰ বান্ধা দশ গাণ্ডা গুৱা,*
*দশ মুঠা পাণ আৰো*
*পাচঁ টাকা আদি।"*[১৮]

এনেদৰে কোচ-ৰাজবংশী সমাজত পূৰ্বৰেপৰা দান টাকা দেৰা প্ৰথাৰ প্ৰচলন আছিল আৰু এই দিনটোতে বিবাহৰ দিন-বাৰ ঠিক কৰিছিল। সৰুৰে পৰা মা-দেউতাই বহু কষ্টেৰে, মৰমেৰে আৰু খৰচ বহন কৰি নিজ কন্যাক তুলি তালি ডাঙৰ-দীঘল কৰে, ঘৰৰ কাম বন শিকায়। সেয়ে ইয়াৰ বাবে কন্যা বিয়া দিয়াৰ বিনিময়ত ধন টাকা দেৰাৰ প্ৰথা প্ৰচলন আছিল।

## ২.০২.২.৩ পানচিনি বা নিৰীক্ষণ পৰ্ব ঃ

কোচ-ৰাজবংশী লোকসকল সমাজ জীৱন সুন্দৰভাৱে পৰিচালনা কৰিবলৈ পৰম্পৰাগতভাৱে বিভিন্ন সামাজিক প্ৰথা মানি চলি আহিছে। পৰম্পৰাগতভাৱে প্ৰচলিত প্ৰথাসমূহৰ ভিতৰত 'পানচিনি' পৰ্বটো উল্লেখযোগ্য। কোকৰাঝাৰ আৰু চিৰাং জিলাৰ স্থান বিশেষে এই অনুষ্ঠানটোক 'নিৰীক্ষণ', 'আঙুঠি পিন্ধোৱা' আদি বুলিও কয়। সামাজিকভাৱে বিয়া হোৱাৰ পূৰ্বে দৰা আৰু কইনা দয়ো পক্ষৰ সুবিধা অনুযায়ী শুভ দিন বাৰ চাই উভয় পক্ষৰ সামাজিকভাৱে চিনাকি পৰ্ব হিচাপে এনে অনুষ্ঠান আয়োজন কৰা হয়। এই অনুষ্ঠানত কেতবোৰ নীতি নিয়ম পালন কৰা লগতে বিয়াৰ দিন

ঠিক কৰা হয়। ‘পানচিনি’ উপলক্ষে দৰাপক্ষই কইনাপক্ষ লৈ ভাৰ নিয়াটো প্ৰচলিত নিয়ম। উক্ত দিনা দৰাপক্ষই কইনা ঘৰলৈ আহোঁতে তামোল-পাণ, দৈ, চিৰা, মিঠাই, পুঠিমাছ এযোৰৰ লগতে ডাঙৰ মাছ আদি সামগ্ৰী আনে। ইয়াৰোপৰি কিছুমান সামাজিক নিয়ম পালন কৰিবলৈ কইনাগৰাকীৰ বাবে নতুন কাপোৰ (স্থান বিশেষে আৰু সামৰ্থ্য অনুসৰি এযোৰ, তিনিযোৰ, পাঁচযোৰ) শংখ শাখা, সেন্দূৰ, সোণৰ আঙুটি, সামাৰ্থ্য অনুযায়ী প্ৰসাধনৰ সামগ্ৰী, কইনাৰ মাক-দেউতাক আৰু মামাৰ বাবে মান ধৰা কাপোৰ আদি লৈ আহে। উক্ত দিনা দৰাও যোৰাটো নিয়ম। অৱশ্যে কিছু অঞ্চলত দৰা যোৰাটো নিয়ম নাই। পানচিনি পৰ্বত দৰাই দুয়োপক্ষৰ ৰাইজক সাক্ষী কৰি কইনাগৰাকীক শাখা, সেন্দূৰ, আঙুঠি পিন্ধায়। উভয় পক্ষৰ ৰাইজে দৰা-কইনাক ফুল চাউল ছটিয়াই আৰ্শীবাদ দিয়ে। উক্ত দিনাই বিবাহৰ আধা কাৰ্য সম্পন্ন হোৱা বুলিয়ে ধৰা হয়। কইনাঘৰৰ সাধ্য অনুসৰি উপস্থিত সকলোকে চাহ মিঠাই, ভাত আদিৰে আপ্যায়ন কৰে। পানচিনি পৰ্বত আচাৰ-নীতিসমূহ পালন কৰাৰ পাছত কইনাজনী সেইদিনা ঘৰত থাকিব নালাগে, সেয়ে মামাৰ ঘৰত বা আত্মীয় কুটুম্বৰ ঘৰত থাকে। কোকৰাঝাৰ জিলাৰ গোসাঁইগাঁও মহকুমাৰ অন্তৰ্গত অঞ্চলসমূহত এই অনুষ্ঠানটিক ‘নিৰীক্ষণ’ বুলি কয়। ‘নিৰীক্ষণ’ৰ দিনা উক্ত স্থানসমূহত দৰা যোৰাটো নিয়ম নাই। উক্ত দিনা কইনাঘৰত সকলোৰে উপস্থিতিত কইনাজনীক চোতালত তুলসীতলত বহুৱাই দৰাৰ সৰু ভায়েকে দৰা ঘৰৰ পৰা অনা সকলোবোৰ সামগ্ৰী কইনজনীৰ হাতত তুলি দিয়ে। এনেদৰে নিয়ম কৰাৰ পাছত ৰাইজক সাক্ষী কৰি এখন চুক্তি পত্ৰ প্ৰস্তুত কৰে য'ত দৰাঘৰ-কইনাঘৰ উভয়ৰে সন্মতি প্ৰদান কৰা হয়। এই চুক্তিপত্ৰ প্ৰস্তুত কৰা নিয়মটো কেৱল গোসাঁইগাওঁ মহকুমাৰ অন্তৰ্গত অঞ্চলসমূতহে দেখা যায়। ইয়াৰোপৰি, কোকৰাঝাৰ আৰু চিৰাং জিলাত বসবাস কৰা অন্যান্য জনগোষ্ঠীৰ মাজতো এনে নিয়ম দেখিবলৈ পোৱা নাযায়। নিৰীক্ষণ বা পানচিনি দিনাৰ পৰাই কইনাজনী দৰাঘৰৰ মানুহ বুলি গণ্য কৰা হয়। সেই দিনাৰ পৰাই কইনাজনী শিৰত সেন্দূৰ, হাতত শাখা পিন্ধি থাকিব লাগে। বিয়াৰ আগমুহূৰ্তত যদি দৰা ঘৰৰ কোনো আত্মীয়-স্বজন ঢুকায় তেনে ক্ষেত্ৰত কইনাজনীও মৃতকৰ শ্ৰাদ্ধ শেষ নোহোৱালৈকে ‘হবিচ’ খাব লাগে। ইয়াৰ উপৰি, দুভাৰ্গ্যবশতঃ কিবা কাৰণত দৰাৰ মৃত্যু হ'লে কইনাজনী বিধৱা হয়। এনে নিয়ম দুয়োখন জিলাত বসবাস কৰা অন্যান্য জনগোষ্ঠীৰ মাজত পৰিলক্ষিত নহয়।

এনেদৰে একেখন জিলাৰ অন্তৰ্গত আন অঞ্চলসমূহত লোকাচাৰবোৰৰ বৈসাদৃশ্য লক্ষ্য কৰা যায় যদিও এনে অনুষ্ঠানৰ উদ্দেশ্য একেটাই। পানচিনি এটি মাংগলিক অনুষ্ঠান। পানচিনি অনুষ্ঠানটি তেলৰ ভাৰ, জোৰণ আদি অনুষ্ঠানৰ লগত মিল আছে।

## ২.০২.২.৪ অধিবাস ঃ

কোকৰাঝাৰ আৰু চিৰাং জিলাৰ কোচ ৰাজবংশীসকল বিবাহৰ আগৰ দিনটোক অধিবাস বুলি কয়। বিয়াৰ আগ দিনাৰ পৰাই দৰা আৰু কইনা দুয়োজনে উপবাসে থাকিব লাগে। অধিবাসৰ দিনা দৰাঘৰৰ পৰা কইনাঘৰলৈ 'জাননী ভাৰ' পঠায়। জাননী ভাৰত কইনাৰ বাবে নতুন কাপোৰ এযোৰ, গোন্ধ তেল, চাউল, দালি, আলু, ঘিউ আদি পঠোৱা হয়। কইনাৰ বাবে পঠোৱা গোন্ধ তেল কোচ ৰাজবংশী লোকসকলে ঘৰুৱাভাবে তৈয়াৰ কৰে মঠাবন, সোন্দাপেৰা, মেথি, গোন্ধপাত, আদা আদি একেলগে মিঠাতেলত উতলাই গোন্ধ তেল প্ৰস্তুত কৰা হয়। বৰ্তমান সময়তো একে পদ্ধতিৰে গোন্ধতেল প্ৰস্তুতকৰণে কোচ-ৰাজবংশী লোক সমাজত প্ৰকৃতি নিৰ্ভৰশীলতা আৰু গুৰুত্বৰ কথাকে সূচায়। দৰাঘৰৰ পৰা দিয়া চাউল, দালি, আলু, ঘিউ আদিৰে অধিবাসৰ দিনা সন্ধিয়া কইনাজনীয়ে 'হবিচ' খাব লাগে আৰু নতুন কাপোৰযোৰ বিয়াৰ দিনা তেল চৰোৱা পৰ্বত পিন্ধিব লাগে।

কোচ-ৰাজবংশী লোকসকলে প্ৰাচীন কালৰে পৰা পৰম্পৰাগতভাৱে বিভিন্ন পূজা পাতল কৰি আহিছে। বিয়া বাৰুৰ দৰে শুভ কৰ্ম কৰিবলৈ ওলোৱাৰ আগতে পুৰোহিত মাতি গৃহস্থই পৰম্পৰাগতভাৱে যিবোৰ পূজা কৰি আহিছে বিয়াৰ আগদিনাও সেই পূজা কৰে। কোকৰাঝাৰ আৰু চিৰাং জিলাৰ অঞ্চল বিশেষে মনসা পূজা বা কালী বিষহৰি পূজা, সত্য নাৰায়ণ পূজা, আকা পূজা আদি পূজা অৰ্চনা কৰে যাতে বিবাহখন সুকলমে হৈ যায় আৰু লগতে দৰা কইনাৰ জীৱন সুখকৰ হয়।

পূজা-পাতলবোৰৰ উপৰিও বিবাহৰ 'চাইনা' বন্ধাৰ লগতে বিভিন্ন কৰণীয় কাম থাকে। ইয়াৰ বাবে প্ৰথমতে চোতালৰ সোঁমাজত ডাঙৰ কলগছ এজোপা পোতাব লাগে। ইয়াক কোচ-ৰাজবংশী সমাজত 'যাত্ৰাখুঁটি' বুলি কয়। কলগছজোপা পোতাৰ আগতে গাত খুন্দি এখন আগলতি কলপাতত তামোল-পাণ এযোৰ দি, ধূপ-চাকি জ্বলাই সেৱা জনাইহে কলগছ জোপা পোতা হয়।

সেইদিনাৰ পৰা পিছদিনা বিবাহ সম্পন্ন হোৱালৈকে সেই চাকি গছি জ্বলি থাকিব লাগে। উল্লেখযোগ্য যে যাত্ৰাখুটিডাল আঠমঙ্গলাৰ পিছতহে উঘালি পেলাব লাগে। ইযাৰোপৰি, ঘৰৰ পদূলিমুখত দুয়োফালে দুডাল কলগছ পুতি কঁাহী বনেৰে 'সেল্লাই পাকাই' (বেণী গুঠি) তাত আমৰ পাত, মাটিৰ ফুটা চাকি, কপাহ আদি আঁৰি দিয়া হয় আৰু কলগছ দুডালৰ গুৰিত দুটা ঘট বহুওৱা হয়। বিভিন্ন বিধিৰে বিবাহকাৰ্য সম্পন্ন কৰাৰ বাবে চোতালত বিবাহ মণ্ডপ সজায়। মণ্ডপ সজাবলৈ চাৰিওফালে সৰু সৰু কলপুলি পুতি লয়, কলপুলি কেইডালক এৰাঁ সূতাৰে তিনিফালে মেৰিয়ায় আৰু সূতাত মাটিৰ ফুটা চাকি, আমৰ পাত বান্ধি দিয়ে। কলগছ কেইডালৰ গুৰিত ঘট বহুৱায়। ঘটত সেন্দূৰ লগাই এযোৰ তামোল-পাণ দি পানীৰে ভৰ্ত্তি কৰি থয়। স্থান বিশেষে, ৰুচি, সামৰ্থ অনুযায়ী বিভিন্ন ধৰণৰ আকৰ্ষণীয় মণ্ডপ সজোৱা দেখা যায়। এনেকৈ সকলো কৰ্মৰ মাজেৰে কোচ-ৰাজবংশী লোকসমাজত মানুহ আৰু প্ৰকৃতিৰ পাৰস্পৰিক নিৰ্ভৰতা আৰু মানুহৰ জীৱনৰ প্ৰতিটো ক্ষেত্ৰতে প্ৰাকৃতিক সমলৰ ব্যৱহাৰ আৰু গুৰুত্ব ফুটি উঠিছে।

কোচ-ৰাজবংশী বিবাহ অনুষ্ঠানত এক গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰা চৰিত্ৰ হ'ল '**তেলধৰী**'। তেলধৰী দৰা-কইনা উভয় পক্ষতে প্ৰয়োজন হয়। বিবাহ অনুষ্ঠানত দৰা-কইনাই কৰিবলগীয়া ৰীতি-নীতিবোৰত 'তেলধৰীয়ে' আঁত ধৰে। তেলধৰীৰ লগত আৰু পাঁচগৰাকী অ-কুমাৰী ছোৱালীৰো দৰকাৰ হয়। এই পাঁচগৰাকীক '**বৈৰাতী**' বুলি কোৱা হয়। অঞ্চলভেদে বৈৰাতী সধৰা মহিলাও হয় আৰু দুগৰাকীও হোৱা দেখা যায়। বিবাহৰ দিনা বিভিন্ন কামত বৈৰাতীসকলে তেলধৰীক সহায় কৰে। অধিবাসৰ দিনা দৰা-কইনাৰ উপৰিও 'তেলধৰী', কন্যাদান কৰা লোকজনেও 'হবিচ' খোৱাটো কোচ ৰাজবংশী সমাজত প্ৰচলিত নিয়ম।

## ২.০২.২.৫ বিয়াৰ দিনা পালনীয় বিভিন্ন আচাৰ-নীতি ঃ

কোচ-ৰাজবংশী লোকসমাজত বিবাহ এখন পৰম্পৰাগতভাৱে প্ৰচলিত বিভিন্ন আচাৰ-নীতিৰ মাজেৰে সম্পন্ন কৰা হয়। কোকৰাঝাৰ আৰু চিৰাং জিলাৰ অঞ্চলভেদে এনে আচাৰ-নীতিৰ কিছু ক্ষেত্ৰত মিল আৰু কিছু অমিল দেখিবলৈ পোৱা যায়।

কোচ-ৰাজবংশী সকলৰ বিবাহ অনুষ্ঠানৰ এক গুৰুত্বপূৰ্ণ পৰ্ব হৈছে **'পানী তোলা পৰ্ব।'** এই পৰ্ব দৰা-কইনা উভয়ৰে ঘৰত পালন কৰা হয়। কোকৰাঝাৰ আৰু চিৰাং জিলাৰ অঞ্চল

বিশেযে এই পৰ্বটোক ‘সৰগজল’, ‘জলবৰণ’ আদি বুলিও কয়। পানী তুলিবৰ বাবে এটা ডাঙৰ মাটিৰ কলহ আৰু মাটিৰ ঘট পাঁচটা লাগে। কলহ আৰু ঘটবোৰত সেন্দূৰৰ ফোঁট লগাই আমৰ পল্লৱ দিয়ে। ‘তেলধৰী’ আৰু ‘বৈৰাতীসকল’ আৰু ওচৰ চুবুৰীয়াৰ ছোৱালী সকলৰ সহযোগত বিয়াৰ দিনা ধলপুৱাতে ঘৰৰে কুঁৱা বা মন্দিৰৰ কুঁৱাত পানী তোলা পৰ্বটো পালন কৰে। কোকৰাঝাৰ জিলাৰ গোসাঁইগাঁও মহকুমাৰ অন্তৰ্গত অঞ্চলসমূহত বিয়াৰ দিনা দিনতে নৈৰ ঘাটৰ পৰা অথবা কুঁৱাৰ পৰা পানীতোলা পৰ্বটো সম্পন্ন কৰে। পানী তোলাৰ আগতে উৰুলি দি গংগাদেৱীৰ নামত ধূপ-চাকি জ্বলায়, তামোল-পাণ, তেল সেন্দূৰ আদিৰ লগতে মূল্য দিব লাগে। পানী অনাৰ সময়ত যি গৰাকী তিৰোতাই প্ৰধান ডাঙৰ কলহটো লয় তেওঁ মুখত পানী ভৰাই পিচলৈ ঘূৰি নোচোৱাকৈ আহি ঘৰৰ ভিতৰৰ যিখিনি ঠাইত ঘটবোৰ ৰাখিব সেই ঠাইখিনিত মুখৰ পানীখিনি পেলাই দিব আৰু তাৰ পিছতহে কলহ আৰু ঘটবোৰ ৰাখিব। এনেদৰে পানী তোলা কাৰ্যৰ জৰিয়তে গংগাদেৱীক বিবাহ উপলক্ষে ঘৰলৈ আদৰি অনা হয় বুলি কোচ-ৰাজবংশী লোকসকলে বিশ্বাস কৰে।

কোচ-ৰাজবংশী সমাজত বিবাহৰ দিনা পানী তোলা পৰ্বৰ পিছত দৰা-কইনা উভয় ঘৰতে পূৰ্বপুৰুষৰ স্মৰণাৰ্থে শ্ৰাদ্ধ পতা হয়। এই শ্ৰাদ্ধক **‘নান্দীমুখৰ শ্ৰাদ্ধ’** বুলি কোৱা হয়। দৰা ঘৰত দৰা নিজেই শ্ৰাদ্ধ কৰ্মত বহে কিন্তু কইনাঘৰত পিতৃ অথবা পিতৃ নাথাকিলে জ্যেষ্ঠ ভাতৃ বা নিজবংশৰ কোনোবা জ্যেষ্ঠই এনে শ্ৰাদ্ধকৰ্মত বহে। এই খিনিতে উল্লেখযোগ্য যে “*কইনাৰ ঘৰত সাধাৰণভাৱে পতা শ্ৰাদ্ধক ভোজনী শ্ৰাদ্ধ বোলে।*”[১৯] নান্দী মুখৰ শ্ৰাদ্ধত পূৰ্বপুৰুষক পিণ্ড আৰু ভোজনী দুয়োটায়ে দিয়া হয়। কিন্তু ভোজনী শ্ৰাদ্ধত কেৱল ভোজনী দিয়া হয়।

নান্দী শ্ৰাদ্ধৰ পিছত পালনীয় অন্যতম পৰ্ব হ’ল **‘তেল চৰোৱা পৰ্ব।’** দৰা আৰু কইনাঘৰ উভয়তে তেল চৰোৱা পৰ্ব পালন কৰা হয়। তেলধৰী আৰু বৈৰাতীসকলে দৰা-কইনাক তেল সানে। এই পৰ্বটোত প্ৰয়োজন হোৱা সামগ্ৰীবোৰ হ’ল সৰিয়হৰ তেল, গোন্ধ তেল, মাহ-হালধি বটা, অঞ্জন (কল পটুৱাৰ ঠাৰিত তোলা কাজল), দৈ, ঘিউ, মৌ আদি। এই পৰ্বটো তেলধৰীয়ে আঁত ধৰে। তেলধৰীয়ে প্ৰথমতে দৰা বা কইনাৰ ভৰিৰ পৰা আঁঠুলিলৈ, আঁঠুৰপৰা হাতলৈ আৰু হাতৰ পৰা মূৰলৈ এখন হাতেৰে তেল, মাহ, হালধি, কাজল আদি পৃথকে পৃথকে সানে আৰু

আনখন হাত মূৰৰ ওপৰত থৈ তেল চৰোৱা পৰ্ব সম্পন্ন কৰে। ঠিক তেনেদৰে বৈৰাতীসকলেও এজন এজনকৈ উৰুলি দি তেল চৰোৱা কাম সমাপন কৰে। তেল চৰোৱাৰ পিছত দৰা বা কইনাক মাটি গচকিবলৈ দিয়া নহয়।

তেল চৰোৱা পৰ্বৰ পিছত **দৰা-কইনাক গা-ধুওৱা** হয়। গা-ধুৱাবৰ বাবে ঘৰৰ পূবদিশত এটা নিৰ্দ্দিষ্ট স্থানত কলগছ এজোপা শিপাৰে সৈতে পোতা হয় আৰু তাৰ তলতে দৰা বা কইনা বহিবৰ বাবে কলৰ ছটা (ডিঙৰা) পাৰি দিয়া হয়। তেল চৰোৱাৰ পিছত যিহেতু মাটি গচকিব নাপায় সেয়ে দৰা-কইনাক কোনোবা আত্মীয়ই বোকোছাত বা কোলাত তুলি গা ধুৱাবলৈ আনে গা ধুওৱাৰ পূৰ্বে আন এটা পৰ্ব আছে যিটো কোচ-ৰাজবংশী লোকসকলে **'নখ কটা পৰ্ব'** বুলি কয়। এই পৰ্বটোত নাপিতৰ হতুৱাই দৰা বা কইনাক নখ কটাই লয়। বিবাহৰ দৰে শুভ কৰ্ম কৰাৰ আগতে নাপিতৰ দ্বাৰা নখ কাটি আমাৰ শৰীৰত থকা অশৌচ শুদ্ধিকৰণ কৰা হয় আৰু ইয়াৰ বাবে নাপিতক দান দিয়া হয়। ইয়াৰ পিছত দৰা-কইনাৰ গাত বটি থোৱা মাহ-হালধি আদি সানি দিয়ে আৰু ৰাতিপুৱাতে তুলি থোৱা পানীৰে গা ধুৱায়। তেলধৰীয়ে দৰা বা কইনাক গা ধুৱাই দিয়ে। গা ধুৱা হোৱাৰ পিছত আগৰ দৰে কোনো আত্মীয়ই বোকোছাত বা কোলাত তুলি ঘৰৰ ভিতৰলৈ লৈ যায়। ইয়াৰ পিছত পুতি থোৱা কলগছজোপা তেলধৰীয়ে উঘালিব লাগে। এই সময়ছোৱাত তেলধৰীৰ সৈতে ৰং ৰইচ কৰা দেখা যায়; কিছুমানে ধেমালিতে তেলধৰীক আচহুৱা ধৰণৰ মালা পিন্ধাই দিয়ে। এইখিনিতে "*কোচ-ৰাজবংশী লোকসকল বিশ্বাস কৰে যে কলগছজোপা কোনো স্থানত ৰুই দিয়াৰ পাছত যদি কলগছজোপা ঠন ধৰি উঠে, ভাল ফল দিয়ে, তেন্তে দৰা-কইনা সুসন্তানৰ পিতৃ-মাতৃ হয়।*"[২০]

দৰা-কইনা গা ধুওৱা পৰ্বৰ পিছত কোচ-ৰাজবংশী লোকসমাজত বিবাহ-অনুষ্ঠানত পালনীয় আন এক পৰ্ব হ'ল **'সুৱাগ তোলা' বা সুৱাগ ঝাৰা পৰ্ব**। এই পৰ্বটো দৰা বা কইনা দুয়ো ঘৰতে পালন কৰা হয়। সুৱাগ তুলিবৰ বাবে তেলধৰী আৰু বৈৰাতীসকলে নৈৰ পাৰ আৰু কুঁৱা বা পুখুৰীৰ পাৰত যায় আৰু লগত বান্নী (বাঢ়নীৰ কাঠি), তামোল পাণ, এৰা সূতা, কপাহ, সেঁন্দুৰ, ধূপ, মাটিৰ চাকি, আখৈ আদি সামগ্ৰী লৈ যায়। পাৰত গৈ প্ৰথমতে তেলধৰীগৰাকীয়ে কোৰেৰে মাটি খান্দি তাত পানীৰে অলপ বোকা কৰি দুটা ঢিপ বনায়; এটা দৰাৰ নামত আৰু আন এটা

কইনাৰ নামত। তাৰ পিছত বাঢ়নীৰ কাঠি দৰাৰ নামত সাত (৭) ভাগ আৰু কইনাৰ নামত ন (৯) ভাগ বোকাত গুজি দিয়ে। গুজি দিয়াৰ পিছত এৰাঁ সূতাৰে দৰাৰ নামত ন (৯) পাক আৰু কইনাৰ নামত সাত (৭) পাক মেৰিয়াই দি তাত অলপ অলপ কপাহ দিয়ে। ইয়াৰ পিছত উৰুলি দি ধূপ-চাকি জ্বলাই, তেল- সেন্দূৰ পিন্ধাই, আখৈ ঢালি দিয়ে। এনেদৰে নিয়মবোৰ পালন কৰাৰ পাছত সেৰা জনায় এইদৰে দৰা-কইনাৰ নামত হৰ-গৌৰীৰ বিয়া দিয়া বুলি কোচ-ৰাজবংশী লোকসকলে বিশ্বাস কৰে লগতে দৰা-কইনাৰ বিবাহ তথা মিলনৰ ক্ষেত্ৰত যাতে একো অপায় অমঙ্গল নঘটে তাৰ বাবে ভগৱানৰ ওচৰত প্ৰাৰ্থনা কৰে। অৱশিষ্ট আখৈ খিনি ওভতাই লৈ আহে। উভতি অহাৰ সময়ছোৱাত তেলধৰীয়ে মুখত পানী আনে আৰু সেই পানীখিনি দৰা বা কইনাই বহি থকা পাটীৰ তলত পেলাই দিয়ে। অৱশ্যে মুখত পানী ভৰাই অনা নিয়মটো কেতবোৰ অঞ্চলতহে দেখা যায়।

কোচ-ৰাজবংশীসকলৰ বিবাহ অনুষ্ঠানত **সুৱাগ তোলা পৰ্বৰ** পিছত আন এটা পৰ্ব আৰম্ভ হয়, সেয়া হ'ল **আখৈ ঝাৰা পৰ্ব**। দৰা বা কইনাক সজোৱাৰ আগতে বা কিছুমানে সজোৱাৰ মাজতে এই পৰ্বটো অনুষ্ঠিত কৰে। ইয়াৰ বাবে চাৰিগৰাকী সধবা মহিলা লাগে। প্ৰথম দুগৰাকীয়ে উত্তৰ-দক্ষিণ মুৱাকৈ থিয় হৈ এখন বগা কাপোৰ দৰা বা কইনাৰ মূৰৰ ওপৰত মেলি ধৰে। তাৰ পিছত এৰা সূতাৰে কাপোৰ খনৰ চাৰিটা কোণত বান্ধি দিয়ে। দৰা হলে ন (৯) পাক আৰু কইনা হলে সাত (৭) পাক ঘূৰাই বান্ধে। আন দুগৰাকী মহিলাই পূৱা-পশ্চিমাকৈ থিয় হৈ সুৱাগ তোলাৰ অৱশিষ্ট আখৈখিনি কুলাত লৈ সাত (৭) বাৰ ঝাৰি এই পৰ্বটো সম্পন্ন কৰে।

কোচ-ৰাজবংশী লোকসমাজত বিবাহৰ দিনা দৰা-কইনা উভয়কে এখন দৰ্পণ হাতত লৈ থাকিব দিয়া হয়। দৰ্পণখনত এখন সৰু আইনা, এযোৰ সেন্দূৰ লগোৱা তামোল পাণ, আখৈ ঝাৰাত ব্যৱহাৰ কৰা এৰাঁ সূতাৰে বান্ধি দিয়া হয়। বিয়াৰ দিনা দৰা-কইনা উভয়ৰে যাতে একো হানি নহয় তাৰ বাবে এনে দৰ্পণ হাতত লৈ থাকিবলৈ দিয়া হয়। ইয়াৰোপৰি কলগছৰ পটুৱাৰে এখন চালনীত 'চালাঙী-বাতি' প্ৰস্তুত কৰি তাত চাকি জ্বলায়, ডোনত অলপমান চাউল, তামোল-পাণ এযোৰ, এটকা দি 'চালাঙী-বাতিৰ' লগতে ৰাখে। আমন্ত্ৰিত অতিথিসকলে এই ডোনৰ পৰা চাউল ছটিয়াই আৰ্শীবাদ দিয়ে।

যথাসময়ত দৰাক সজাই বিয়াৰ লগ্ন অনুযায়ী দৰাপক্ষই কইনাঘৰলৈ যাত্ৰা কৰে। যাত্ৰাৰ সময়ত কইনাঘৰলৈ বুলি এখন ভাৰ সজাই নিয়াটো কোচ-ৰাজবংশী লোকসমাজত প্ৰচলিত নিয়ম। কোচ-ৰাজবংশী লোকসকলে এই ভাৰখনক 'লাখল ভাৰ' বা 'ৰাখল ভাৰ' বুলি কয়। এই ভাৰখনত কল, তামোল-পাণ, দৈ, চিৰা আখৈ, চাউল আদি নিয়া হয়। কইনাঘৰত দৰা আদৰাৰ সময়ছোৱাত এই ভাৰখন লৈ ৰং ধেমালি কৰা দেখা যায়। এটা নিৰ্দিষ্ট সময়ত বৰযাত্ৰী আহি কইনাঘৰৰ পদূলিমুখত উপস্থিত হয়। বেণ্ডপাৰ্টীৰ বাজনা আৰু উৰুলি আদিৰে এক উৎসৱমুখৰ সৃষ্টি হয়। এনে সময়তে কইনাৰ ভনীয়েকে দৰা আনিবলৈ সাজু হয়। কোকৰাঝাৰ আৰু চিৰাং জিলাৰ কিছুমান অঞ্চলত কইনাৰ মাকে দৰা আদৰা দেখা যায়। কোচ-ৰাজবংশী লোকসকলে দৰা আদৰাক "**বৰ বৰেয়া আনা**" বুলি কয়। দৰা আদৰাৰ পূৰ্বে গেট ধৰা পৰ্ব আছে। দৰা আদৰিবলৈ প্ৰথমতে বৰপীৰা পাৰি দৰাজনক থিয় কৰাই ভৰিত দৈ আৰু পানীৰে ধুৱাই গামোছা পিন্ধায়, আৰ্থিক সাধ্য অনুযায়ী সোণৰ আঙুঠি; গলত সোণৰ হাৰ আদি পিন্ধায়। এই একে সময়তে দৰা পক্ষ আৰু কইনা পক্ষৰ 'চালাঙী-বাতি' ঘৰৰ পদূলিমুখত আৰি দিয়া মালাডালৰ ওপৰেদি সালসলনি কৰে। তাৰ পাছত উৰুলিৰে সৈতে হাতত তামোল-পাণ এযোৰ দৰাৰ হাতত দি দৰাৰ গামোছাত ধৰি 'চালাঙী-বাতিৰ' বা দি দি দৰাক চোতাললৈ আদৰি অনা হয় আৰু মণ্ডপৰ সন্মুখত বৰপীৰাত বহুৱায়। দৰা আহি চোতালত বহাৰ পিছত ক্ৰমান্বয়ে পুৰোহিতৰ দ্বাৰা মূল বিবাহৰ বৈদিৰ আচাৰ-নীতিসমূহ আৰম্ভ কৰে। তাৰ মাজতে দৰাঘৰৰ পৰা অনা কইনাৰ সাজপোছাক আ-অলংকাৰ আৰু প্ৰসাধনৰ বিভিন্ন সামগ্ৰীসমূহ লৈ দৰা ঘৰৰ কেইগৰাকীমান সধবা মহিলা আৰু ছোৱালীয়ে কইনা থকা ঘৰত প্ৰৱেশ কৰি কইনাক সজাই পৰাই প্ৰস্তুত কৰে। পিছত পুৰোহিতৰ নিৰ্দেশ অনুসৰি কইনাক চোতাললৈ উলিয়াই অনা হয়। তাৰ পিছত বিবাহৰ বিভিন্ন কাৰ্যবোৰ যেনে- কইনাৰ পিতৃৰ হস্তদান, কন্যা সম্পদান, দৰা-কইনাৰ লগুণ গাঁঠি বান্ধি দিয়া, কইনাৰ সৰু ভায়েকৰ দ্বাৰা আখৈ তোলা, 'মিতৰ ধৰা', যৌতুক তোলা আদি সম্পন্ন কৰা হয়। বিবাহৰ একেবাৰে শেষ পৰ্বটো হ'ল **'বিয়াৱাৰী বা বেইবাৰী ঘূৰোৱা'**। কিছুমান অঞ্চলত ইয়াক **'বেৰি ঘূৰোৱা'** বুলিও কয়। বিয়াবাৰী ঘূৰোৱাৰ মূলতে হ'ল কইনাজনীয়ে যাতে যিখন ঘৰত মাক-দেউতাই সৰুৰেপৰা তুলি তালি ডাঙৰ-দীঘল কৰিছে সেইখন ঘৰৰ মায়া-মোহ এৰি দৰাৰ নতুন ঘৰখন আৰু পৰিয়ালক

আপোন কৰি লয়। বিবাহ সম্পূৰ্ণৰূপে সম্পন্ন হোৱাৰ পিছত দৰা-কইনাক জ্যেষ্ঠসকলে আৰ্শীবাদ দিয়ে। তাৰ পিছত দৰা-কইনাক ঘৰৰ ভিতৰলৈ লৈ গৈ পাটীত বহুৱাই কড়িখেল, আঙুঠি খেল আদি খেলিব দিয়ে। খেলাৰ সমান্তৰালকৈ দৰাঘৰৰ সকলোকে খোৱা-লোৱা কৰোৱাই কইনাক বিদায় দিয়ে। এনেদৰে কোচ-ৰাজবংশী সমাজত পৰম্পৰাগতভাৱে বিভিন্ন পৰ্বৰ মাজেৰে বিবাহ সম্পন্ন হয়।

## ২.০২.২.৬ দৰা ঘৰত ন-কইনা আদৰা পৰ্ব ঃ

বিবাহ হোৱাৰ পিছত কইনা লৈ দৰাঘৰত আহি পোৱাৰ পাছত ঘৰৰ পদুলিমুখৰ পৰা দৰা-কইনাক আদৰি অনা হয়। আদৰাৰ বাবে দৰাৰ সৰু ভনীয়েকে পদূলিমুখত এখন ছালপীৰা পাৰি দি তাত দৰাৰ বাঁওভৰি আৰু কইনাৰ সোঁ ভৰি উঠাই লৈ দৈ আৰু পানীৰে ভৰি ধোৱাই দিয়ে আৰু দৰা-কইনা উভয়ৰে হাতত ধৰি চোতাললৈ লৈ আহে। দৰা-কইনাক আদৰাৰ পিছত দৰাঘৰত পূজনীয় দেৱতাৰ থানত সেৱা জনাই আৰ্শীবাদ লয় যাতে যুগ্ম জীৱন সুখকৰ হয়।

## ২.০২.২.৭ বিয়াৰ প্ৰীতিভোজ বা ৰান্ধন দিয়া পৰ্ব ঃ

দৰাঘৰত ন-কইনা অনাৰ পিছত বিয়াৰ প্ৰীতিভোজ বা ৰান্ধন দিয়া প্ৰথা কোচ-ৰাজবংশী লোকসমাজত প্ৰাচীন কালৰেপৰা প্ৰচলিত আছে। স্থান বিশেষে ৰান্ধনৰ দিনা ন-কইনাৰ হতুৱাই আমন্ত্ৰিত অতিথিক মিঠাই বা পায়স দিবলৈ দিয়ে। উক্ত দিনাৰ পৰা ন-কইনাক সামাজিকভাৱে স্বীকৃতি প্ৰদান কৰা হয়। ৰান্ধনৰ দিনা দৰা-কইনাৰ লগতে গৃহস্থৰ সকলোৱে তামোল-পাণ, ধূপ জ্বলাই ৰাইজৰ আগত আঁঠু লয় আৰু যুগ্ম জীৱনৰ বাবে আৰ্শীবাদ লয়।

## ২.০২.২.৮ টোপোলা ফিৰা বা আঠমঙ্গলা ঃ

কোচ-ৰাজবংশী লোকসমাজত বিবাহ অনুষ্ঠানৰ শেষৰ লোকাচাৰটো হ'ল টোপোলা ফিৰা বা আঠমঙ্গলা। বিবাহ সম্পন্ন হোৱাৰ আঠদিনত এই আচাৰ-নীতি পালন কৰা হয়। উক্ত দিনা কইনাৰ ঘৰপৰা দৰা-ন কইনাক নিমন্ত্ৰণ কৰে। দৰা আৰু ন কইনাৰ লগতে দৰাৰ আত্মীয়-স্বজনো আহে। টোপোলা ফিৰাৰ দিনা দৰাঘৰৰ লোকসকল দৈ-চিৰা, পিঠা-পনা আদি খুওৱাটো প্ৰচলিত নিয়ম। কোকৰাঝাৰ আৰু চিৰাং জিলাৰ ঠাই বিশেষে টোপোলা ফিৰাৰ দিনা দৰা-কইনাক

যাবলৈ নিদিয়ে আৰু কিছুমানে দিয়ে। যদি দৰা-কইনা থাকে তেন্তে দৰাপক্ষৰ লোকসকল যাওঁতে একেলগে ওলাই আহি আধা ৰাস্তা যোৱাৰ পিছত তাৰ পৰা উভতি গৈহে ৰাতি থকাটো নিয়ম।

## ২.০২.২.৯ বিবাহ বিচ্ছেদ বা পান ছিৰা প্ৰথা ঃ

কোকৰাঝাৰ আৰু চিৰাং জিলাৰ কোচ-ৰাজবংশী সমাজত বিবাহ সম্পৰ্কীয় আন এক লোকাচাৰ হ'ল পান ছিৰা প্ৰথা। এই প্ৰথা পৰম্পৰাগতভাৱে গাঁওলীয়া সমাজত চলি আহিছে। পূৰ্বতে গাঁওৰ মুখিয়াল তথা অভিজ্ঞ ব্যক্তি সকলৰ দ্বাৰাই যিকোনো ধৰণৰ সমস্যাৰ সমাধান কৰি লৈছিল। কোনো বিশেষ কাৰণবশত যদি স্বামী-স্ত্ৰী উভয়ে চিৰদিনৰ বাবে বেলেগে বেলেগে থাকিব বিচাৰে তেন্তে দুয়ো পক্ষৰ সন্মতি অনুযায়ী এখিলা পাণ স্বামী-স্ত্ৰী দুয়োজনে দুইফালে ধৰি টানে আৰু পানখিলা ছিৰি যায়। এনেদৰে পাণ ছিৰা প্ৰথাৰে দুয়োজনে চিৰদিনৰ বাবে এৰা এৰি হয় তথা বিবাহ বিচ্ছেদ হয়। আজিকালি অৱশ্যে এই প্ৰথা লুপ্তপ্ৰায় হৈ পৰিছে।

## ২.০২.২.১০ কোচ ৰাজবংশী লোকসমাজত প্ৰচলিত বিয়া গীত ঃ

কোচ-ৰাজবংশী লোকসমাজত পৰম্পৰাগতভাৱে অনুষ্ঠিত বিবাহ অনুষ্ঠানত বিভিন্ন পৰ্বত গীতৰ প্ৰচলন মনকৰিবলগীয়া। আগৰ দিনত বিবাহ অনুষ্ঠানত 'নামাতি দলে' বিয়াৰ গীত পৰিৱেশন কৰিছিল। এনে গীতত কোনো ধৰণৰ বাদ্যযন্ত্ৰ ব্যৱহাৰ কৰা নাছিল। কোকৰাঝাৰ আৰু চিৰাং জিলা কোচ-ৰাজবংশীসকলৰ মাজত প্ৰাপ্ত বিয়া গীতৰ কিছু নিদৰ্শন আগবঢ়োৱা হ'ল-

বিয়াৰ দিনা নামাতি দল আহি উপস্থিত হোৱাৰ পাছত বিয়াঘৰৰ পদূলিমুখতে এনেদৰে গায়-

*"নামাতি জিৰাইছে ৰাম কলৰ তলত-*
*"নামাতি আহিছং হে বহিছং বাটত*
*চিঠিপত্ৰ পাইছুং আমি নাৰদেৰ হাতত*
*হেৰে হেৰে বৰেৰ মাও দয়া নাই অ তোৰ-*
*নামাতি আইহা আছং বৰেয়া নেক ৰে ঘৰ"*
*"খাৰা হৈতে খাৰা হৈতে ভৰিৰ ভাঙিল হাৰা*

*কেওকে আতে কেওকে নাতে এখান কৈতাৰ ধাৰা*

*পৰাক দিছে কৈতাৰ ধাৰা আমাক দিছে মাটি*

*বসিবাকো আনিয়া দিছে কাচি খেৰেৰ আঠি।*

*ধাৰাতো নবসং মাঠিতো নবসং*

*দলিচা পাৰিয়া দেক বসং হে ৰাম।*

*দলিচাৰ বৰয় দাম কলিকাতাৰ তৈয়াৰী*

*গোৱালপাৰাত আনচে চালান হে ৰাম*

*ৰদ পায় ৰঙিলা ধাৰা পায় বসিবা*

*চোতাল পায় ধেমালি কৰা হে ৰাম।*

*শিলে পানী শিলে পানী ভাঙিয়া আইলং আমি*

*কিকিন্ধাৰো পাৰা আহিলং দাৰকাৰো পুৰী।”*[২১]

*জোখাৰ দিয়ে- (উৰুলি দিয়ে)*

**বিবাহ অনুষ্ঠানত পানী তুলিবলৈ যোৱাৰ সময়ত এনেদৰে গীত গোৱা হয় ঃ**

*“দুইয়ো ফালে আটা*

*মাজেদিয়া ৰাস্তা*

*ঠেলিলে বিন্দাব কাটা এ*

*পানী তুলে ৰাধে*

*কানাই দলি মাৰে*

*কাওৰী কদমেৰ তোলে এ-।।”*[২২]

**পানী তুলি অনাৰ পিছত গোৱা গীত ঃ**

*“অ হে কইনাৰ মাও এ*

*দুৱাৰ খুলিয়া দেক*

*আমি আনচোং গঙ্গাৰ জল*

*থবাক চল দেক ।।”*[২৩]

**বিবাহ অনুষ্ঠানৰ তেল চৰোৱা পৰ্বত গোৱা গীত ঃ**

*"তেল চৰোৱা পিৰা খিনি চাৰিও দিশে খুৰা*

*"তাতে বৈসা তেল চৰায় ৰাম ৰঘুনাথ*

*এ পন্থেৰ দুৱৰি আনা মুঠা কৰি*

*তেল চৰাবা বুলি হে-*

*বাপুৰে মাথাতে পাথৰো তুলিছে*

*চিৰি আংঠি দিয়া হে।*

*তেল পৰে ধাৰে ধাৰে সিন্দুৰ বিলাতী*

*ৰাম ৰাজাক তেল চৰায় পানচো বৈৰাতী।"২৪*

*জোখাৰ দিয়ে-*

**"দৰা বা কইনাক গা ধুওৱাৰ সময়ত গোৱা গীত ঃ**

*বৰো ঘৰেৰ পাছফালে হেলিয়া আছে নল*

*কলছী কলছী ঢালে যমুনাৰ জল।*

*বগৰীৰ গাছতে তিন তিন বগুলা*

*কদমেৰ গাছতে টিয়া*

*কোদাৰেৰ গাছতে ঘৃগু হাল বিনাইছে*

*মনিৰাজ কমাৰেৰ বিয়া*

*অ বালা কান্দোন জুৰিছে নন্দৰ কালা।"২৫*

**কইনা ঘৰত বৰ আদৰাৰ সময়ত এনেদৰে গীত গোৱা হয় ঃ**

*"আমাৰ বাপু ৰাঙা*

*ঘোৰাৰ পাৰা নামা*

*ইখানে শশুৰেৰ পাঙাহে*

*অ হে কইনাৰ মাও এ*

*আমাক বৰেয়া নেক*

*ৰাম ৰাজাৰ লগত আইছং*

*বসিবাৰ চল দেক।*

*শশুৰেৰ বৰ ঘৰ দেখিতে ভয়ঙ্কৰ*

*ঝকমক ঝকমক কৰে*

*চায়নাৰ তলতে বৰ বাপু বহিছে*

*প্ৰজাপতিক পূজা কৰে হে ৰাম।"*[২৬]

**বিয়াৰ বাবে কইনাক চোতাললৈ উলিয়াই অনাৰ সময়ত আৰু বিয়া হৈ থকাৰ সময়ত গোৱা গীত ঃ**

*"দাঙিয়া দাঙিয়া পীতাক বাহিৰো কৰে*

*আদৰে বিদৰে সীতাক পালকিত তুলে*

*সীতা ৰাম চি ৰাম।*

*ওলেযায় সীতা দেৱী হোমেৰ গোন্ধ পায়*

*উচল কৰেয়া বান্ধে খোপা ৰামেৰ বাহ যায়*

*সীতা ৰাম চি ৰাম।*

*অহে সীতা দেৱী ঐনা ৰথে চৰি ৰামকে বৰাইলা তুমিহে*

*দীন দয়ালা এ সীতা ৰামকে বৰিলা*

*ঘূৰিয়া ঘূৰিয়া সীতা ৰামকে বৰিলা হে*

*দীন দয়ালা এ সীতা ৰামকে বৰিলা হে*

*পূব মুখা হয়া সীতা ফুলকে চিটাইলা হে*

*দীন দয়ালা এ সীতা ৰামকে বৰিলা*

*বৰেৰ আচলত সীতা ফুলকে চিটাইলা হে*

*দীন দয়ালা এ সীতা ৰামকে বৰিলা।"*[২৭]

কোচ-ৰাজবংশী লোকসমাজত বিবাহ অনুষ্ঠানত পূৰ্বৰে পৰা **খিচ্‌তা গীত (খিচা গীত)** ৰো প্ৰচলন আছে। তাৰে কিছু নিদৰ্শন আগবঢ়োৱা হল-

*"আস্কা তিতা বাস্কা তিতা আৰো তিতা নিম*
*আৰো তিতা নিম*
*কইনা ঘৰেৰ চেঙেৰা গিতিক হাল্দি পিচা দিম*
*ময়না হাল্দি পিচা দিম।*
*আশু বাৰীৰ মাজে মাজে কৰৈ গাছেৰ মুৰা*
*কৰৈ গাছেৰ মুৰা,*
*কুন গাওঁৰ বৰ আইছে বয়সতে বুঢ়া*
*ময়না বয়সতে বুঢ়া।*
*হুমেৰ জুই বাৰেয়া দেক বৰেৰ মুখ খান চাং*
*কয় কুৰি বছৰ হৈছে ৰাইজক জানাং*
*ময়না ৰাইজক জানাং।*
*ঢোল বাজায় ঢলুৱা খান এ*
*ঢোলে নুঠে বাজি*
*ফাটা ঢোল লয়া আইছে*
*টাকা খাওৱা বুদ্ধি।*
*তাতকা তিতা নাখাবি দাদা এ*
*ভেট ভেট কৰে*
*চুতু কইনা চুতু বৰ ফিৰফিৰিয়া ঘুৰে।।"*[২৮]

*"বাঁশে তলত খছৰ মছৰ*
*চৰাই খচোৰায়*
*কইনা ঘৰে চেঙেৰী গিতি*
*মুক মোচোৰায়।*

*বাঁশে তলেৰ বেঙেলেকু*

*কৰে কেকু মেকু*

*কইনা ঘৰেৰ চেঙেৰী গিতিৰ*

*চেঙেৰাৰ কাতি চুকু।*

*বাঁশে তলেৰ বেঙেলেকু*

*কৰে কেকু মেকু*

*কইনা ঘৰেৰ চেঙেৰী গিতিৰ*

*উপৰে কাতি চুকু।*

*আ হায় এ ভীম কলৰ দিম*

*কইনা ঘৰেৰ বইৰাতী গিতিক*

*হাল্দি পিচা দিম হে, অ হৰি ৰাম।*

*আ হায় এ ভীম কলৰ দিম*

*কইনা হৰেৰ চেঙেৰা গিতিক*

*কুকুৰ লাগেয়া হো ৰাম।”*[২৯]

*“আ হায় এ লাইৰ তলত ছাই*

*লাইৰ তলত ছাই*

*কইনা ঘৰেৰ চেঙেৰী গিতিৰ*

*নাকেৰ আগাল নাই হো ৰাম।*

*আ হায় এ লাইৰ তলত লাফা*

*বৰ ঘৰেৰ চেঙেৰা গিতি*

*পাৰ খাওৰা হাপা হো ৰাম।”*[৩০]

*“চাউল চুকং চাকাট চুকুত*

*চাউলে আকাৰা*

*চাউলে অকাৰা*

*কইনা ঘৰেৰ চেঙেৰী গিতিৰ*

*পেট পাখাৰা।”*[৩১]

*“মাছ মাৰং থেপেট থুপুত*

*যোৰায় উঠে বেচা*

*কইনা ঘৰেৰ চেঙেৰী কয়টা*

*চুনা বাৰীৰ পেছা।*

*মাছ মাৰং থেপেট থুপুত*

*যোৰায় উঠে মাগুৰ*

*কইনা ঘৰেৰ চেঙেৰী গিতিক*

*চাৰিও ফালে আগুৰ।।”*[৩২]

এনেদৰে, কোচ-ৰাজবংশী সমাজত পূৰ্বৰেপৰা বিয়া গীতৰ প্ৰচলন আছে যিয়ে কোচ-ৰাজবংশীৰ লোকসংস্কৃতিৰ ভঁৰাল চহকী কৰাত বিশেষ অৰিহণা যোগাইছে।

## ২.০৩ মৃত্যুৰ সৈতে জড়িত লোকাচাৰ আৰু লোকবিশ্বাস ঃ

মৃত্যু মানে জীৱনৰ অন্তিম পৰ্যায়। কোচ-ৰাজবংশী লোকসমাজত পূৰ্বৰে পৰা মৃত্যু সম্পৰ্কীয় কেতবোৰ লোকবিশ্বাসৰ প্ৰচলন আছে। এনে লোকবিশ্বাসৰ পৰাই অমংগলৰ চিন তথা মৃত্যুৰ আগজাননীৰ কিছুমান সংকেত পোৱা যায় বুলিও ক'ব পাৰি। যেনে- “*ঘৰৰ চালত ‘ঘুগু’ (কপৌ চৰাই) বৰকৈ কান্দি থাকিলে, ঘৰৰ ওচৰে পাজৰে ফেঁচাই কান্দি থাকিলে, কাউৰীজাক কা কা কৰি থাকিলে অশুভ চিন লগতে কাৰোবাৰ মৃত্যুৰ বতৰা কঢ়িয়াই আনে বুলি বিশ্বাস কৰে।*”[৩৩] ইয়াৰ উপৰিও “*সপোনত দাঁত সৰা দেখিলে আপোন মানুহৰ মৃত্যু হয় বুলি লোকবিশ্বাসৰ প্ৰচলন আছে। সপোনত আত্মীয়ৰ মৃত্যু হোৱা দেখিলে বেলেগৰ ঘৰৰ মানুহৰ মৃত্যু হয় আৰু বেলেগৰ ঘৰৰ মানুহৰ মৃত্যু হোৱা দেখিলে দেখোতাজনৰ আত্মীয় কোনোবাৰ মৃত্যু হয় বুলি কোচ-ৰাজবংশী লোকসকলে বিশ্বাস কৰে।*”[৩৪]

কোচ-ৰাজবংশী লোকসমাজত প্ৰচলিত মৃত্যু সম্পৰ্কীয় আচাৰ নীতি সমূহক দুটা ভাগত ভগাব পাৰি-বৈদিক আৰু লৌকিক আচাৰ। বৈদিক আচাৰসমূহ বৰ্ণ হিন্দু সমাজৰ আচাৰৰ সৈতে

মিল দেখা যায় আনহাতে লৌকিক আচাৰসমূহ স্থান, কাল, বিশেষে আৰু পুৰুষ-মহিলা অনুযায়ী ভিন্ন হোৱা পৰিলক্ষিত হয়। ইয়াৰ উপৰিও স্বাভাৱিক মৃত্যুত পালনীয় ৰীতি-নীতিৰ সৈতে অস্বাভাৱিক মৃত্যুত পালনীয় ৰীতি-নীতি কিছু অমিল দেখা যায়। সৰু ল'ৰা ছোৱালী মৰিলেও নীতি-নিয়মবিলাক বেলেগ হয়। কোকৰাঝাৰ আৰু চিৰাং জিলাৰ কোচ-ৰাজবংশী লোকসকলৰ মাজত প্ৰচলিত মৃত্যুৰ  সৈতে জড়িত লোকাচাৰসমূহ তলত দিয়া ধৰণে আলোচনা কৰিব পাৰি-

(ক) মৃত্যুৰ দিনা পালনীয় আচাৰ-নীতি

(খ) তেৰাতি বা চতুৰ্থা

(গ) পঞ্চাহ

(ঘ) দহা

(ঙ) খেউৰ

(চ) আদ্যশ্ৰাদ্ধ

(ছ) সপিণ্ডন আৰু মৎস্যস্পৰ্শ।

## ২.০৩.১ মৃত্যুৰ দিনা পালনীয় আচাৰ-নীতি ঃ

কোচ-ৰাজবংশী সমাজত আত্মাৰ বিশ্বাস বিদ্যমান। মৃত্যু শয্যাত পৰি থকা ব্যক্তিৰ শেষ ক্ষণত যাতে শৰীৰ ত্যাগ কৰোতে ব্যক্তিজনৰ আত্মাই কষ্ট নাপায় সেই লোকবিশ্বাসেৰে গংগাজল খুওৱা হয় আৰু কেতিয়াবা 'গীতা' পাঠ কৰি শুনায়। ঘৰৰ ভিতৰত মৃত্যু হোৱাৰ ক্ষেত্ৰত কোচ-ৰাজবংশী সকলৰ মাজত কোনো বাধ্য বাধকতা নাই। মৃত্যু হোৱাৰ পিছত মৃতকক কাপোৰেৰে ঢাকি উত্তৰ দিশত মূৰ দি শুৱাই দিয়ে আৰু মৃতকৰ মূৰৰ শিতানত মাটিৰে এটা ঢিপ বনাই তাত এডাল তুলসীৰ ডালি গুজি দিয়ে লগতে এটা মাটিৰ চাকি জ্বলাই ৰাখে।

কোচ-ৰাজবংশী সমাজত মানুহৰ মৃত্যু হ'লে মৃতকক গা ধুওৱাটো পৰম্পৰাগতভাৱে প্ৰচলিত এক লোকাচাৰ আৰু এই লোকাচাৰ এতিয়াও বিদ্যমান। মৃতকক গা ধুৱাবৰ বাবে পানীত ফুল আৰু গাখীৰ দি ঘৰৰ পৰিয়ালৰ লগতে আত্মীয় স্বজনেও মুখত আৰু গাত পানী ঢালি দিয়ে। গা ধুওৱাৰ পাছত নতুন বস্ত্ৰ পৰিধান কৰায়।

মৃতকক চোতালত তথা ৰাইজৰ সন্মুখত অনাৰ আগতে চোতালত কিছু নীতি-নিয়ম পালন কৰে আৰু ইয়াৰ বাবে এডাল কলগছৰ প্ৰয়োজন হয়। এইখিনিতে উল্লেখযোগ্য যে সেই কলগছডাল ক্ৰিয়াধাৰীজনে বাওঁহাতেৰে একে বাৰতে কাটিব লাগে। প্ৰথমতে, ক্ৰিয়াধাৰীজনে চোতালত কোদালেৰে (কোৰ) উত্তৰ দিশৰ পৰা দক্ষিণ দিশলৈ এডাল ৰেখা টানি লয় আৰু সেই ৰেখাডালক পূৰা-পশ্চিমাকৈ আকৌ তিনিটা ৰেখাৰে তিনিটা ভাগত ভাগ কৰি তাৰ ওপৰত কলগছৰ তিনিটা টুকৰা বহুৱাই দিয়ে। এইখিনিতে এটা লোকবিশ্বাসৰ প্ৰচলন আছে যে কাটি অনা কলগছডালৰ 'মাদা' যদি পিছলৈ বাহিৰলৈ অলপ ওলাই আহে তেন্তে মৃত ব্যক্তিজনৰ আয়ুস আছিল আৰু যদি বাহিৰলৈ ওলাই নাহে তেন্তে ব্যক্তিজনৰ আয়ুস নাছিল।

মৃতকক শ্মশানলৈ লৈ যোৱাৰ বাবে বাঁহৰ 'চালাঙা' (চাং / চাঙী) তৈয়াৰ কৰা হয়। এডাল বাঁহেৰে মৃতকৰ সৈতে জড়িত কামসমূহ সম্পন্ন কৰিব লাগে। লগতে মৰাশ নিবৰ বাবে মৰাপাটৰ ৰচীৰে সেল্লাই (বেণী) তিনিডাল, এখন নতুন ঢাৰি, বগা মাৰ্কিন কাপোৰৰ প্ৰয়োজন হয়। সকলোবোৰ যা-যোগাৰ হোৱাৰ পিছত মৃতকক গা ধুৱাই নব্য বস্ত্ৰ পৰিধান কৰাই পূৰ্বতে চোতালত তৈয়াৰ কৰি থোৱা কলগছৰ টুকুৰাকেইটাৰ ওপৰত উত্তৰ দিশত মূৰ দি শুৱাই থয়। প্ৰথমতে মৃতকৰ মূৰ শিতানত ৰখা জলন্ত চাকিটো চোতালতো একে স্থানতে ৰখা হয় আৰু লগতে ধূপ-ধূনা আদি জ্বলাই দিয়ে। ইয়াৰ পিছত পিহি লোৱা মাহ, হালধি, ঘিলা আদি মিঠাতেলেৰে মিশ্ৰণ তৈয়াৰ কৰি মৃতকৰ শৰদেহত সানি দিয়ে যাতে মৃত দেহৰ পৰা দুৰ্গন্ধ নিৰ্গত নহয় আৰু তাত থকা বীজাণু নাশ হয়। পৰিয়ালৰ সকলো সদস্যৰ লগতে আত্মীয় স্বজনেও 'মুখ ধুৱানি পানী'ৰ বাবে এটকা মূল্য দি হাতত পানী লৈ কিলাকুটিৰে নিগৰাই মৃতকৰ মুখত পানী দিয়ে। কিছুমানে মৃতকক গামোছাও দিয়ে। এইখিনিতে **'স্ত্ৰীৰ শাখা ভঙা'** আৰু **'সেন্দূৰ মচা পৰ্ব'** পালন কৰে। স্বামীৰ মৃত্যু হলে স্ত্ৰীৰ শিৰৰ সেন্দূৰ মৃত স্বামীৰ বাওঁভৰিৰ বুঢ়া আঙুলিৰে চিৰদিনৰ বাবে মচি দিয়ে আৰু হাতত শংখ শাখা ভাঙি পেলায়। আনহাতে, সধবা মহিলাৰ মৃত্যু হলে স্বামীয়ে মৃত স্ত্ৰীক কপালত শিৰত সেন্দূৰ আৰু হাতত নতুন শংখ শাখা পিন্ধায়। এনেদৰে, "*শাখা সেন্দূৰে মৃত্যুবৰণ কৰা সধবা মহিলাক কোচ-ৰাজবংশী সমাজত সৌভাগ্যৱতী আৰু পুণ্য হোৱা বুলি লোকবিশ্বাস প্ৰচলিত আছে।*"[৩৫]এনে লোকবিশ্বাস কোকৰাঝাৰ আৰু চিৰাং জিলাৰ প্ৰায় সকলোবোৰ অঞ্চলতে প্ৰচলিত।

ইয়াৰ পিছত ৰাইজৰ মানুহ বা 'গিয়াস্তি'ৰ লোক এজনে মৃতকৰ কৰ্মজীৱনৰ বিষয়ে চমু বক্তব্য আগবঢ়ায় আৰু মৃতকৰ আত্মাৰ সদ্‌গতিৰ বাবে ঈশ্বৰৰ ওচৰত প্ৰাৰ্থনা জনাই এক মিনিট সময় মৌনব্ৰত পালন কৰে। তাৰ পিছত মৃতকৰ শৱদেহ ৰছীৰে তৈয়াৰী সেল্লাইৰে বান্ধি ওপৰত বগা মাৰ্কিন কাপোৰেৰে ঢাকি দিয়ে আৰু লগতে ওপৰত ফুল, ফুলৰ মালা আদি দিয়ে। চাৰিজন লোকে মৃতকৰ 'চালাঙাখন' কান্ধত তুলি চোতালত তিনিবাৰ প্ৰদক্ষিণ কৰি শ্মশান অভিমুখে মৃতকৰ ভৰি থকা দিশটো আগফালে দি যাত্ৰা আৰম্ভ কৰে। মনকৰিবলগীয়া দিশ যে, কোকৰাঝাৰ জিলাৰ অন্তৰ্গত চন্দ্ৰপাৰা, শক্তি আশ্ৰম, ফকিৰাগ্ৰাম, ভোটগাওঁ আদি অঞ্চলত তিনিবাৰৰ ঠাইত সাতবাৰ প্ৰদক্ষিণ কৰে আনহাতে গোসাইগাওঁ মহকুমাৰ অন্তৰ্গত অঞ্চলসমূহত এনে প্ৰদক্ষিণ দেখা নাযায়।

শ্মশানলৈ যোৱাৰ সময়ত লগত চন্দন গছৰ ডাল, আমৰ ডাল, ঘি, তামোল-পাণ, বাঁহৰ আগভাগ, মৰাপাটৰ পৰা তৈয়াৰী সেন্নাৰ ঝোটা (মুঠি), বেলফল, খেৰেৰে তৈয়াৰী ভূতা (ভোতা) বটি লোৱা হালধি ঘিলা, মিঠাতেলৰ মিশ্ৰণ আদি আৰু দা-কুঠাৰ আদিও লৈ যায়। যোৱাৰ পথত এজন ব্যক্তিয়ে মৃতকৰ চালঙাৰ আগে আগে হাতত এৰাঁ সূতা লৈ ঘৰৰ পৰা আৰম্ভ কৰি শ্মশানলৈকে অলপ অলপ সূতা ছিঙি দি দি যাব লাগে। গোসাঁইগাওঁ অঞ্চল আৰু চিৰাং জিলাতো এনে নিয়মৰ প্ৰচলন দেখা নাযায়। শ্মশানলৈ নিয়াৰ সময়ত বেছিভাগ অঞ্চলতে মৰাশ নিয়া লোকসকলে 'হৰি নাম কীৰ্ত্তন কৰে আৰু 'বোল হৰি হৰি বোলা' ধ্বনি দি যায়। শ্মশানলৈ মহিলা অথবা ছোৱালী যোৱাটো নিয়ম নাই আৰু এই নিয়ম পৰম্পৰাগত ভাৱে কোকৰাঝাৰ আৰু চিৰাং জিলাৰ কোচ-ৰাজবংশীৰ সকলো সমাজতে প্ৰযোজ্য। উল্লেখযোগ্য যে কোকৰাঝাৰ জিলাৰ চন্দ্ৰপাৰা অঞ্চল আৰু কালীপুখুৰী অঞ্চলৰ জৰেগাওঁত মৃত্যুৰ সৈতে জড়িত গীত পদৰ প্ৰচলন আছে। এই গীতবোৰক অঞ্চলভেদে 'মৰা ফেলা গান' 'মৰাখাপা গান', 'ঝালিমাটিৰ গান' বুলি কোৱা হয়। এনে গীতত ঝালি, খোল, তাল আদি বাদ্যযন্ত্ৰৰ প্ৰয়োগ আছে আৰু কোচ-ৰাজবংশী সকলৰ মাজত 'গাওনীয়াই' হে এনে গীত পৰিৱেশন কৰে। "*এনে গীতৰ ভাৱ অসমীয়া ভাষাৰ টোকাৰী বা আন দেহবিচাৰৰ গীতৰ সৈতে প্ৰায় একে।*"[৩৬]

তলত 'মৰা ফেলা গান'ৰ এটি নিদৰ্শন আগবঢ়োৱা হ'ল-

*"ওৰে বাছা তনু*

*আজি তুমি ছাৰিয়া যাবো*

*অন্তপুৰিৰ মাঝে*

*হে মোৰে হায়-*

*কাছা বাশেৰ খাট পালঙ্ক*

*হে পবনো পাতাৰ দৰি*

*আহা দৰি ৰে*

*ভায় ভতিজায় বান্ধে*

*হে প্ৰাণেৰ দৰি*

*হায়ৰে মন ভাই*

*আজি লয়া যাব তোক*

*সাত সমুদ্ৰ পাৰ হয়া।"*[৩৭]

*এনেবোৰ গীত কৰুণ ৰসাত্মক।*

শ্মশানত নদীত এটকা মূল্য দি **ঘাট কিনাৰ প্ৰথা** কোকৰাঝাৰ আৰু চিৰাং জিলাৰ কোচ-ৰাজবংশী অধ্যুষিত সকলোবোৰ অঞ্চলতে প্ৰচলন আছে। মানুহ বা যিকোনো জীৱ-জন্তুৰ উৎপত্তি পঞ্চভূতৰ পৰা হয় আৰু মৃত্যু হ'লে পঞ্চভূতত বিলীন হয়। পঞ্চভূত হ'ল- আকাশ, বায়ু, পানী, পৃথিৰী আৰু অগ্নি। হিন্দু দৰ্শন মতে মৃত্যু হ'লে অগ্নিক মাধ্যম হিচাপে লৈ মানুহৰ শৰীৰটো পঞ্চমহাভূতত বিলীন হয়। এই দাহন কাৰ্য সাধাৰণতে শ্মশানত নদীৰ পাৰত কৰা হয়। এই দাহন কাৰ্য যাতে সুকলমে হয় তাৰ মৃতকৰ দেহা পঞ্চভূতত বিলীন হয় তাৰ কাৰণে ঘাট কিনি লোৱা হয়। ঘাট কিনাৰ পাছত চিতা সজোৱা হয়। চিতা সজাবৰ বাবে ভূৰকা (ভলুকা) বাঁহৰ চাৰিটা খুঁটি নাইবা কলগছৰ চাৰি টুকুৰা কৰি খুটি' পোতা হয় আৰু দুফালে দুটুকুৰা কলগছৰ অংশ পাথালিকৈ পাৰি দিয়া হয়। তাৰ ওপৰত খৰি আৰু কাঁহীবন, কুচবনৰ তৰপ সজোৱা হয়। মহিলা হ'লে ৭ তৰপ আৰু পুৰুষ হ'লে ৯ তৰপ সজোৱা হয়। ইয়াৰ পিছত চিতাত মৃতদেহটো তোলা

হয় আৰু গাত কেঁচা হালধি, ঘিলা আদি সানি দিয়া হয়। চিতাত থোৱাৰ সময়ত মৃত ব্যক্তিজন পুৰুষ হ'লে তলমুৱা আৰু মহিলা হ'লে ওপৰমুৱা কৈ থোৱা হয়। এনে সময়ছোৱাত কোকৰাঝাৰ আৰু চিৰাং জিলাৰ কোচ-ৰাজবংশী অধ্যুষিত প্ৰায় বেছি ভাগ অঞ্চলতে মৃতকক বিবস্ত্ৰ কৰে যদিও কোকৰাঝাৰ জিলাৰ বৃহৎ কালীপুখুৰী অঞ্চল আৰু গোসাইগাওঁ অঞ্চলত এনে নিয়মৰ প্ৰচলন নাই। উল্লেখযোগ্য যে, "*গৰ্ভৱতী মহিলাৰ মৃত্যু হ'লে পেটত থকা সন্তানটি কাটি উলিয়াই সন্তানটিক কলপাতেৰে মেৰিয়াই মাটিত পুতি থয় আৰু মাকক চিতাত দাহন কৰে।*"[৩৮]

মৃতকক চিতাত তোলাৰ পিছত মুখাগ্নি দিয়া হয়। পিতৃ-মাতৃৰ মৃত্যুত জ্যেষ্ঠ পুত্ৰ বা কনিষ্ঠ পুত্ৰই মুখাগ্নি দিয়ে। পূৰ্বতে পুত্ৰ নাথাকিলে ভায়েক বা ভতিজাসকলে মুখাগ্নি কৰিছিল। পিছলৈ, জীয়েক, ঘৈণীয়েকেও মুখাগ্নি দিব পৰা হ'ল। যিয়ে মুখাগ্নি দিয়ে তেওঁ প্ৰথমতে গা ধুই তিতা গাৰে 'সেন্না' এক মুঠাত আমৰ পাত বান্ধি, জুই জ্বলাই পুৰুষ হ'লে ন পাক আৰু মহিলা হ'লে সাত ৭ পাক চিতাৰ চৌদিশে প্ৰদক্ষিণ কৰি প্ৰথমে মৃতকৰ মুখত থেকেচি দিয়ে আৰু চিতাত জুই লগাই পিছত দিয়ে।

কোচ-ৰাজবংশী সমাজত মৃতকৰ **অস্থি অনা প্ৰথা** প্ৰায় সকলোবোৰ ঠাইতে দেখা যায়। কিন্তু অঞ্চলভেদে অস্থি অনাৰ প্ৰথা বেলেগ বেলেগ। কোকৰাঝাৰ জিলাৰ গোসাইগাওঁ অঞ্চলৰ অন্তৰ্গত দলগাওঁ, গুৰাবাৰী, নেপালপাৰা আদিৰ লগতে সাপটগ্ৰাম অঞ্চলতো মৃতকৰ অস্থি আনি তিনিদিনৰ পৰা দহদিনলৈ কলগছৰ খলপত থৈ দিয়ে যিটো নিয়ম অন্যান্য অঞ্চল যেনে কালীপুখুৰী, ডিমলগাওঁ, তিতাগুৰী, বালাগাওঁ আদিৰ লগতে চিৰাং জিলাৰ বহু অঞ্চলতো দেখিবলৈ পোৱা নাযায়। "*কোকৰাঝাৰ জিলাৰ কালীপুখুৰী অঞ্চলত মৃতকৰ অস্থি আনোঁতে পুৰুষ হলে ৯ টুকুৰা আৰু মহিলা হলে ৭ টুকুৰা কৰে।*"[৩৯]

মৰাশ দাহনৰ শেষ পৰ্যায়ত খেৰেৰে তৈয়াৰী ভূতাত (ভোতা) চিতাৰ জুইৰ পৰা জুই জ্বলাই লয় আৰু সেই জুইৰে জুই লগাই কাম ধৰা ব্যক্তিজন দহদিন হবিচ খাব লাগে। মৃতদেহ সম্পূৰ্ণৰূপে দাহন হৈ ছাই হলে সেই ঠাইতে ঢিপ বনাই চাকি জ্বলাই ঘটত বেলফল, বাঁহৰ আগ আদি এৰাঁ সূতাৰে বান্ধি নানা বিধিৰে মহাদেৱক পূজা কৰে। "*কোকৰাঝাৰ জিলাৰ গোসাঁইগাঁও অঞ্চলত এই পূজাক 'শশান কালী' পূজা বুলি কয়।*"[৪০] তাৰ পিছত সকলোৰে গা পা ধুই ঘৰমুৱা হয় আৰু আহোতে একেবাৰে শেষৰজন শ্মশানৰ সীমাত এডাল আঁচ টানে। এনে সময়ছোৱাত

কোনেও পিছলৈ ঘূৰি চাব নালাগে, চোৱাটো অমংগল সূচক বুলি লোক বিশ্বাসৰ প্ৰচলন আছে। পিছলৈ ঘূৰি চালে মৃতকৰ আত্মাই কষ্ট পায় বুলি বিশ্বাস কৰে।

সকলোৱে মৃতকৰ ঘৰলৈ ঘূৰি অহাত গৃহস্থৰ লোকে ঘৰৰ পদূলিমুখত শুকাতি (শুকান মৰাপাট), বগৰীৰ কাঁইট, ধান খেৰেৰে জুই জ্বলাই দিয়ে; শ্মশানত যোৱা প্ৰত্যেকজন ব্যক্তিয়ে সেই জুইত হাত সেকিব লাগে; গাত তুলসীৰ পানী ছটিয়ায় আৰু লগতে লগত লৈ যোৱা দা, কটাৰী শিলত থেকেচি মৃতকৰ ঘৰৰ চৌহদত সোমাব লাগে। কোচ-ৰাজবংশী সমাজত প্ৰচলিত লোকবিশ্বাস মতে শ্মশানৰ পৰা কোনো অপশক্তি আহি যাতে একো অনিষ্ট সাধন কৰিব নোৱাৰে তাৰ বাবে এনে নীতি-নিয়ম কৰা হয়। মানুহৰ শৰীৰত এনে কিছুমান বেক্টেৰিয়া থাকে যিবোৰ মৰাৰ পিছত শৰীৰটো পচি গৈ পঞ্চভূতত বিলীন হোৱাত সহায় কৰে। মানুহ জীৱিত অৱস্থাত তেজৰ উত্তাপত এনেবোৰ বেক্টেৰিয়া নিয়ন্ত্ৰণত থাকে। কিন্তু মানুহ এজনৰ মৃত্যুৰ লগে লগে এইবোৰ সক্ৰিয় হৈ উঠে আৰু নিজৰ বংশ বৃদ্ধি কৰে। মৃতকৰ দেহৰ বেক্টেৰিয়া যাতে আক্ৰমণ কৰিব নোৱাৰে তাৰ বাবে এনে নিয়ম কৰা হয়। শ্মশানত মৃতকৰ দেহ পুৰি থকাৰ সময়ত শৰীৰত বাহিৰত লগা বেক্টেৰিয়াই মানুহৰ শৰীৰত বসন্ত ৰোগৰ সৃষ্টি কৰিব পাৰে আৰু পিছলৈ গৈ কুষ্ঠ ৰোগ আদিও হ'ব পাৰে। শ্মশানৰ পৰা আহি এনেদৰে জুইত সেকিলে এনে বেক্টেৰিয়া নাশ হয়।

কোচ-ৰাজবংশী সমাজত অস্বাভাৱিক মৃত্যু যেনে আত্মহত্যা কৰা, দুৰ্ঘটনা, বজ্ৰপাত পৰি মৃত্যু হোৱা ব্যক্তিক পূৰ্বতে গাত খান্দি পুতি থোৱা হৈছিল। সৰ্প দংশনত মৃত্যু হোৱা লোকক কলগছৰ ভেলা (ভূৰ) সাজি তাতে থৈ নদীত উটুৱাই দিছিল। কিন্তু বৰ্তমান সমাজত সকলো ধৰণৰ মৃত্যুত মৃতদেহটো দাহন কৰে। অৱশ্যে অস্বাভাৱিক মৃত্যু হলে কোচ-ৰাজবংশী লোকসমাজত চাৰি দিনতে শ্ৰাদ্ধ পতা হয়। এইখিনিতে উল্লেখযোগ্য যে "*কোচ-ৰাজবংশী সমাজত লোকবিশ্বাসৰ প্ৰচলন আছে যে গয়া তীৰ্থস্থানত থকা প্ৰেতশিলাত মৃতকৰ নামত পিণ্ড দান কৰিলেহে এনে আত্মাই মুক্তি লাভ কৰে।*"[৪১]

মৃত্যু হোৱাৰ পিছত কিছু অঞ্চলত তিনি দিন কিছু অঞ্চলত পঞ্চম দিনলৈ মৃতকৰ পৰিয়ালে পিঠাগুড়ি খোৱাৰ লোকাচাৰ প্ৰচলন আছে আৰু এদিনত এবাৰে এক সিদ্ধ হবিচ খাব লাগে। ক্ৰিয়াধাৰীয়ে মাটিৰ পাত্ৰত ৰান্ধি খাব লাগে। "*যদি কিবা ভুলবশত: মাটিৰ পাত্ৰটো ফাটি যায় সেইদিনা হবিচ খাব নোৱাৰিব।*"[৪২] হবিচ ৰন্ধা হোৱাৰ পিছত মৃতকৰ নামত আগবঢ়াইহে সকলোৱে

খাব পাৰে। মৃত্যুৰ তিনিৰাতিৰ পিছত অথ্যাৎ চতুৰ্থ দিনাৰ পৰা দহদিনলৈ মানুহে মৃতকৰ ঘৰত সিদা বা ভেটি দিয়ে। সেই কেইদিনত ক্ৰিয়াধাৰীজনে বিচনাত শুৱ নালাগে, মাটিত শুব লাগে। কলগছৰ চৌকা বনাই ভূতাৰ জুইয়ে জুই লগাই এবাৰেই ৰান্ধি হবিচ খাব লাগে। উল্লেখযোগ্য যে "*গোসাইগাওঁ অঞ্চলত জীয়া গছৰ ডালেৰে চৌকা বনায়।*"[৪৩] খোৱাৰ সময়ত যদি কুকুৰ বা কাউৰীৰ মাত শুনে তেন্তে সেই মুহূৰ্ততে খোৱা বন্ধ কৰিব লাগে, খালে অমংগল হয় বুলি লোকবিশ্বাস প্ৰচলিত। এই লোকবিশ্বাস কোকৰাঝাৰ আৰু চিৰাং জিলাৰ প্ৰায়ভাগ অঞ্চলতে প্ৰচলন আছে।

## ২.০৩.২ চতুৰ্থা ঃ

মৃত্যু হোৱা চাৰি দিনৰ দিনা চতুৰ্থা পালন কৰা হয়। কোচ-ৰাজবংশী সমাজত ইয়াক 'তেৰাতি খাটা' বুলিও কয় স্থান বিশেষে। তেৰাতিৰ পিছত বা চতুৰ্থাৰ দিনত মৃতকৰ বিবাহিতা জীয়ৰী, নিজৰ ভাগিন-ভাগিনীয়েকসকলে ব্ৰাহ্মণৰ দ্বাৰা মৃতকক চাৰি পিণ্ড দি শ্ৰাদ্ধানুষ্ঠান পালন কৰে। উক্ত দিনা গৃহস্থৰ ঘৰত ওচৰ-চুবুৰীয়া বা গাঁওৰে দুই তিনিজনক মাতি দৈ-চিৰা, মিঠাই আদি খুৱায় লগতে নাম-কীৰ্ত্তনো কৰে আৰু সেইদিনাই মৎসস্পৰ্শও কৰে।

মৃত্যুৰ পঞ্চম দিনা স্থান বিশেষে পঞ্চাহ পাতে। পঞ্চাহৰ দিনা পাঁচ পিণ্ড আগবঢ়োৱা হয়।

## ২.০৩.৩ দহা ঃ

মৃত্যুৰ দহ দিনৰ দিনা কাৰ্য সম্পন্ন হয়। দহা কাৰ্য সমাপন কৰিব বাবে নদীৰ পাৰত যাব লাগে আৰু যাওঁতে লগত মাটিৰ পাইলা, পূজাৰ বিভিন্ন সামগ্ৰী চাউল, ফল-মূল, ফুল, তুলসী, দূবৰি, আমৰ ডাল, পলাশৰ ডাল, বাঁহৰ ঝেকনি (ডালি) আদি লৈ যায়। ইয়াৰ উপৰি অস্থিকো লৈ যায় আৰু শুদ্ধিকৰণ কৰা হয়। নদীৰ পাৰত গৈ কাৰ্যখিনি ব্ৰাহ্মণৰ দ্বাৰাই কৰা হয়। দহাৰ দিনা মৃতকৰ নামত দহটা পিণ্ডদান কৰা হয়। উক্ত দিনা ক্ৰিয়াধাৰীৰ লগতে আত্মীয়সকলেও দাড়ি খুৱায়, মুণ্ডন কৰে আৰু চুলিখিনি নদীত ভাহি দিয়ে। ক্ৰিয়াধাৰীজনে নদীত নামি মাটিৰ পাইলাটো ভাঙি পানীত ডুব মাৰিব লাগে আৰু উঠি যিকোনো ডাঙৰ গছলৈ চাব লাগে। ক্ৰিয়াধাৰীজনে আগৰ বস্ত্ৰ সলাই নতুন বস্ত্ৰ পৰিধান কৰে আৰু উক্ত দিনা ভূতাৰ জুইও তাতে এৰি আহে। এনেদৰে নদীৰ পাৰত ব্ৰহ্মণৰ দ্বাৰা দহাকৰ্ম শেষ কৰি উভতি অহাৰ পিছত গৃহস্থত উপস্থিত থকা

লোকসকলক দৈ-চিৰা, চাহ-মিঠাই খুওৱাটো নিয়ম। ইয়াৰ দ্বাৰা স্বাভাৱিক জীৱনলৈ ঘূৰি অহাৰ অনুশীলন কৰা দেখা যায়।

## ২.০৩.৪ খেউৰ ঃ

মৃত্যুৰ বাৰ দিনৰ দিনা খেউৰ পতা হয়। অৱশ্যে কোকৰাঝাৰ জিলা আৰু চিৰাং জিলাৰ সকলোবোৰ অঞ্চলতে এই অনুষ্ঠান পতা নহয়। কিছু অঞ্চলত যেনে - (গোসাঁইগাওঁ মহকুমাৰ অন্তৰ্গত অঞ্চলসমূহত, শিথিলা, চৌতাৰা, ভাওৰাগুৰী, খুলছানী আদিত) খেউৰ পতা হয়। উক্ত দিনা মৃতকৰ ল'ৰাবিলাকে দাড়ি খুৰায়, নখ কাটে, মুণ্ডন কৰে। ঘৰৰ মহিলাসকলেও নখ কাটে। উক্ত দিনা কাপোৰ কানি ধূৱে, ঘৰ-দুৱাৰ মচি চাফা কৰে। লগুণ লোৱাসকলে নতুন লগুণ লয়। এই নিয়মবোৰ অন্যান্য অঞ্চলসমূহত দহা কাৰ্যৰ দিনাই কৰা দেখা যায়।

## ২.০৩.৫ আদ্যশ্ৰাদ্ধ ঃ

মৃত্যুৰ তেৰদিনৰ দিনা কোচ-ৰাজবংশী সমাজত আদ্যশ্ৰাদ্ধ পতা হয়। আদ্যশ্ৰাদ্ধৰ দিনা ব্ৰাহ্মণৰ দ্বাৰা বৈদিক আচাৰসমূহ পালন কৰা হয়। সেইদিনা প্ৰথমতে পৰিয়ালৰ সকলো সদস্যই প্ৰায়শ্চিত্ত হয়। প্ৰায়শ্চিত্ত হোৱাৰ পাছত ব্ৰাহ্মণৰ নিৰ্দেশমৰ্মে কাম ধৰাজনে বৈদিক নীতি-নিয়মবোৰ কৰি যায়। আৰ্থিক অৱস্থা অনুযায়ী গৃহস্থই বিছনা, বস্ত্ৰ, বাচন-বৰ্তন, সোণ-ৰূপ, গৰু আদি দান কৰে। শ্ৰাদ্ধৰ দিনা আত্মীয়-কুটুম্ব, ওচৰ চুবুৰীয়াক নিমন্ত্ৰণ কৰি দৈ, চিৰা, গুৰ, লুচি-পুৰি অথবা সাধ্য অনুসৰি ভাত আদিৰে আপ্যায়ন কৰে আৰু ইয়াৰ দ্বাৰা স্বাভাৱিক জীৱনলৈ উভতে।

শ্ৰাদ্ধৰ পিছদিনা সপিণ্ডন দান কৰা হয়। সপিণ্ডনৰ দিনা পূৰ্ব-পুৰুষৰ নামত পিণ্ড দান কৰা হয়। ইয়াত পিতৃবংশ আৰু মাতৃবংশ উভয়ৰে পূৰ্বপুৰুষক পিণ্ড দিয়া হয়।

## ২.০৩.৬ মৎস স্পৰ্শ / মাছ চুৱেনি ঃ

কোচ-ৰাজবংশী লোকসমাজত সপিণ্ডনৰ পিছদিনা মৎসস্পৰ্শ বা মাছ চুৱেনি অনুষ্ঠানটো পাতে। উক্ত দিনা আত্মীয়-স্বজন, ওচৰ-চুবুৰীয়াকে ধৰি মৃতদেহ সৎকাৰৰ বাবে শ্মশানলৈ যোৱা লোকসকলক নিমন্ত্ৰণ জনায়। সেইদিনা মৃতকে জীৱিত অৱস্থাত খাই ভালপোৱা বস্তুবোৰ ৰান্ধি কলপাতত অথবা দোনাত আগবঢ়োৱা হয়। উক্ত দিনাৰ পৰাই পৰিয়ালৰ লোকেও আমিষ আহাৰ

গ্ৰহণ কৰিব পাৰে। এইখিনিতে উল্লেখযোগ্য যে, "*যিয়ে মৃতকক মুখাগ্নি দিয়ে, তেওঁ এবছৰ পৰ্যন্ত আনৰ ঘৰত আহাৰ গ্ৰহণ কৰিব নোৱাৰিব। ইয়াৰোপৰি, মাতৃৰ মৃত্যু হলে সন্তানে এবছৰ গাখীৰ খাব নাপায় আৰু পিতৃৰ মৃত্যু হলে কল খাব নাপায়।*"[৪৪] কিয়নো গাখীৰক মাতৃৰ প্ৰতীক আৰু কলক পিতৃৰ প্ৰতীক ৰূপে ধৰা হয়।

কোচ-ৰাজবংশী সমাজত এবছৰৰ ভিতৰত মৃতকৰ অস্থি গংগাত বিসৰ্জন দিয়াটো নিয়ম। সাধাৰণতে অশোকা অষ্টমীৰ দিনা অস্থি বিসৰ্জন কৰা দেখা যায়। উক্ত দিনা নদীত গৈ মূৰৰ চুলি খুৰায় আৰু ব্ৰাহ্মণৰ দ্বাৰা পিণ্ডদান দিয়ে। তাৰ পিছত নদীত নামি অস্থি বিসৰ্জন দিয়ে আৰু পানীত এবাৰ বা তিনিবাৰ ডুব মাৰি উঠি আহে। ঘৰলৈ আহি সেইদিনা নাম কীৰ্ত্তন কৰা হয়।

মৃত্যু হোৱাৰ পৰা এবছৰ সম্পূৰ্ণ হ'লে বা কিছুমানে মৃত্যু তিথিত বছৰেকীয়া শ্ৰাদ্ধ পাতে। এই শ্ৰাদ্ধতো ব্ৰাহ্মণৰ দ্বাৰা মৃতকৰ নামত পিণ্ড দান কৰা হয়। কোচ-ৰাজবংশী সমাজত কিছুমানে প্ৰতিবছৰে এই অনুষ্ঠান পাতে আৰু কিছুমানে প্ৰথম তিনিবছৰ পাতি পিছলৈ আৰু নাপাতে।

এই অধ্যায়টিত কোকৰাঝাৰ আৰু চিৰাং জিলাৰ কোচ-ৰাজবংশী লোকসকলৰ জীৱন বৃত্তৰ লগত জড়িত জন্ম, বিবাহ, মৃত্যু সম্পৰ্কীয় লোকাচাৰ আৰু লোকবিশ্বাসৰ আলোচনা আগবঢ়োৱা হৈছে। কোচ-ৰাজবংশী লোকসকলে সন্তান জন্ম সম্পৰ্কীয় কেতবোৰ লোকাচাৰ যেনে- সাত খুওৱা পৰ্ব, প্ৰসূতিক পোৱাতী ঘৰত ৰখা, ফুল গৰম কৰা পৰ্ব, নাড় (নাড়ী) কটা পৰ্ব, চুৰা পেলোৱা পৰ্ব, নামকৰণ পৰ্ব, অন্নপ্ৰাশন, চূড়াকৰণ আদি পালন কৰা দেখা যায়। বিবাহৰ ক্ষেত্ৰত দুই ধৰণৰ বিয়া যেনে- সৰু বিয়া অৰ্থাৎ 'ধুৱানি' আৰু বৰবিয়া বা প্ৰকৃত বিয়াৰ প্ৰচলন কোচ-ৰাজবংশী লোকসমাজত প্ৰায়ে দেখা যায়। সৰু বিয়াত ছোৱালী এজনী ঋতুমতী হোৱাত ঘৰৰ ভিতৰত আছুতীয়াকৈ ৰখাৰ পৰা আৰম্ভ কৰি চাৰিদিনত গাওধানিয়ে গা ধুওৱা, হবিচ খোৱালৈ বিভিন্ন নীতি-নিয়ম মানি চলিব লাগে। এই সময়ছোৱাত ছোৱালীজনীয়ে পালিত বিভিন্ন নীতি-নিয়ম তথা লোকাচাৰৰ জৰিয়তে তাইক ভৱিষ্যত জীৱনৰ বাবে মানসিকভাৱে প্ৰস্তুত কৰিবলৈ যত্ন কৰা হয়। ঠিক সেইদৰে বৰ বিয়া বা প্ৰকৃত বিয়াত কোচ-ৰাজবংশী লোকসকলে বিভিন্ন পৰ্বৰ মাজেদি বিবাহ অনুষ্ঠান সম্পন্ন কৰা হয়। যেনে- দৰা কইনা চোৱা পৰ্ব, ধান টাকা দেৱা প্ৰথা, পানচিনি বা নিৰীক্ষণ পৰ্ব, অধিবাস, বিয়াৰ দিনা পালনীয় বিভিন্ন আচাৰ-নীতি তথা বিভিন্ন পৰ্বৰ মাজেদি বৰ

বিয়া সম্পন্ন কৰা হয়। কোচ-ৰাজবংশী লোকসমাজত বিবাহ অনুষ্ঠানৰ সৈতে জড়িত বিভিন্ন নীতি-নিয়মবোৰৰ লগতে বিবাহৰ বিভিন্ন পৰ্বত গীতৰ প্ৰচলন এটা মনকৰিবলগীয়া দিশ। কোচ-ৰাজবংশী লোকসমাজত বিবাহ সম্পৰ্কীয় আন এক লোকাচাৰ হ'ল পান ছিৰা প্ৰথা। অৱশ্যে এই প্ৰথা ভিতৰত গাঁও অঞ্চলতহে প্ৰচলন আছিল যদিও আজিকালি এই প্ৰথা লুপ্ত প্ৰায় হৈ পৰিছে। কোচ-ৰাজবংশী লোকসমাজত মৃত্যু সম্পৰ্কীয় বিভিন্ন লোকাচাৰ আৰু লোকবিশ্বাসৰ প্ৰচলন আছে। মৃত্যুৰ দিনা পালনীয় আচাৰ নীতি, যেনে- মৃতকক গা ধুৱাই নব্য বস্ত্ৰ পৰিধান কৰোৱা, চোতালত ৰাইজৰ সন্মুখত মৃতকৰ মুখত পানী দিয়া, ফুল, মালা অৰ্পণ কৰা, মৃতকক চাঙীত শ্মশানলৈ লৈ যোৱা, মৃতকৰ অস্থি অনা, চতুৰ্থা, দহা, খেউৰ, আদ্যশ্ৰাদ্ধ, মৎস্যস্পৰ্শ আদি বিভিন্ন পৰ্ব কোচ-ৰাজবংশী লোকসকলে পালন কৰি আহিছে। এই লোকাচাৰবোৰে কোচ-ৰাজবংশী লোকসমাজৰ চিন্তন মনন তথা সমাজখনৰ সাংস্কৃতিক ৰূপটোক সুন্দৰৰূপত প্ৰতিফলিত কৰিছে। তাৰোপৰি, এই লোকাচাৰবোৰে কোচ-ৰাজবংশীসকলৰ স্বকীয় পৰিচয় দাঙি ধৰাতো সহায়ক হৈছে।

*****

## প্রসংগটীকা ঃ

১) তথ্যদাতা ঃ আমতি ৰায়, মহিলা, ৬০ বছৰ, ডিমলগাওঁ, কোকৰাঝাৰ।
২) তথ্যদাতা ঃ ময়না ৰায়, মহিলা, ৭০ বছৰ, চৌটাকী, কালীপুখুৰী।
৩) লাবণ্য ভকত ঃ *ৰাজবংশী লোকসংস্কৃতি*, পৃঃ ৮২-৮৩
৪) তথ্যদাতা ঃ মেদিনী ৰায়, মহিলা, ৮০ বছৰ, লাটাগাওঁ।
৫) লাবণ্য ভকত ঃ *ৰাজবংশী লোকসংস্কৃতি*, পৃঃ ৮৩
৬) তথ্যদাতা ঃ সনৎ কুমাৰ ৰায়, পুৰুষ, ৬৮ বছৰ, গোসাঁইগাওঁ।
৭) তথ্যদাতা ঃ লুজাৰী ৰায়, মহিলা, ৭৮ বছৰ, চৌটাকী, কালীপুখুৰী।
৮) তথ্যদাতা ঃ পূৰ্বোক্ত ব্যক্তি।
৯) তথ্যদাতা ঃ পূৰ্বোক্ত ব্যক্তি।
১০) তথ্যদাতা ঃ পূৰ্বোক্ত ব্যক্তি।
১১) তথ্যদাতা ঃ বীণাপানি বৰ্মন, মহিলা, ৪৯ বছৰ, চিদলী, চিৰাং।
১২) তথ্যদাতা ঃ পূৰ্বোক্ত ব্যক্তি।
১৩) তথ্যদাতা ঃ পূৰ্বোক্ত ব্যক্তি।
১৪) তথ্যদাতা ঃ শুকেন ৰায়, মহিলা, ৭০ বছৰ, ডিমলগাওঁ, কোকৰাঝাৰ।
১৫) তথ্যদাতা ঃ পূৰ্বোক্ত ব্যক্তি।
১৬) পুতলী কায়স্থ ঃ *অসমৰ বিভিন্ন জনগোষ্ঠীৰ বিবাহ পদ্ধতি*, পৃঃ ০.১১
১৭) তথ্যদাতা ঃ সনৎ কুমাৰ ৰায়, পুৰুষ, ৬৮ বছৰ, গোসাঁইগাওঁ।
১৮) স্বপ্না হাজৰিকা ঃ *বঙাইগাওঁ জিলাৰ কোচ-ৰাজবংশীসকলৰ সামাজিক আচাৰ-অনুষ্ঠান· ঃ এটি অধ্যয়ন*, অপ্ৰকাশিত গৱেষণা পত্ৰ, পৃঃ ৬৮।
১৯) তথ্যদাতা ঃ কীৰেশ ৰায়, পুৰুষ, ৬৮ বছৰ, চৌটাকী, কালীপুখুৰী।
২০) তথ্যদাতা ঃ পূৰ্বোক্ত ব্যক্তি।
২১) তথ্যদাতা ঃ লুজাৰী ৰায়, মহিলা, ৭৮ বছৰ, চৌটাকী, কালীপুখুৰী।
২২) তথ্যদাতা ঃ বীণাপানি, মহিলা, ৪৯ বছৰ, চিদলী, চিৰাং।
২৩ ) তথ্যদাতা ঃ পূৰ্বোক্ত ব্যক্তি।
২৪) তথ্যদাতা ঃ লুজাৰী ৰায়, মহিলা, ৭৮ বছৰ, চৌটাকী, কালীপুখুৰী।
২৫) তথ্যদাতা ঃ পূৰ্বোক্ত ব্যক্তি।
২৬) তথ্যদাতা ঃ পূৰ্ণিমা বৰ্মন, মহিলা ৬৭ বছৰ, চাপাগুৰী, চিৰাং।
২৭) তথ্যদাতা ঃ পূৰ্বোক্ত ব্যক্তি।
২৮) তথ্যদাতা ঃ পূৰ্বোক্ত ব্যক্তি।
২৯) তথ্যদাতা ঃ পূৰ্বোক্ত ব্যক্তি।

| | | | |
|---|---|---|---|
| ৩০) | তথ্যদাতা | ঃ | লীলাৱতী দাস, মহিলা ৫০ বছৰ, বিজনী, চিৰাং। |
| ৩১) | তথ্যদাতা | ঃ | পূৰ্বোক্ত ব্যক্তি। |
| ৩২) | তথ্যদাতা | ঃ | পূৰ্বোক্ত ব্যক্তি। |
| ৩৩) | তথ্যদাতা | ঃ | দীপক কুমাৰ ৰায়, পুৰুষ, ৫৯ বছৰ, গোসাঁইগাওঁ। |
| ৩৪) | তথ্যদাতা | ঃ | পূৰ্বোক্ত ব্যক্তি। |
| ৩৫) | তথ্যদাতা | ঃ | কীৰেশ ৰায়, পুৰুষ, ৬৮ বছৰ, চৌটাকী, কালীপুখুৰী। |
| ৩৬) | স্বপ্না হাজৰিকা | ঃ | *বঙাইগাওঁ জিলাৰ কোচ-ৰাজবংশীসকলৰ সামাজিক আচাৰ-অনুষ্ঠান এটি অধ্যয়ন*, অপ্ৰকাশিত গৱেষণা পত্ৰ। পৃ-ঃ১০০ |
| ৩৭) | দ্বীজেন্দ্ৰ নাথ ভকত | ঃ | *অসমৰ কোচ-ৰাজবংশী জনজাতি*, পৃ-ঃ১১৬ |
| ৩৮) | তথ্যদাতা | ঃ | কীৰেশ ৰায়, পুৰুষ, ৬৮ বছৰ, চৌটাকী, কালীপুখুৰী। |
| ৩৯) | তথ্যদাতা | ঃ | পূৰ্বোক্ত ব্যক্তি। |
| ৪০) | তথ্যদাতা | ঃ | সনৎ কুমাৰ ৰায়, গোসাঁইগাওঁ, ৬৮ বছৰ। |
| ৪১) | তথ্যদাতা | ঃ | পূৰ্বোক্ত ব্যক্তি। |
| ৪২) | তথ্যদাতা | ঃ | কীৰেশ ৰায়, চৌটাকী, কালীপুখুৰী, ৬৮ বছৰ। |
| ৪৩) | তথ্যদাতা | ঃ | সনৎ কুমাৰ ৰায়, গোসাঁইগাওঁ, ৬৮ বছৰ। |
| ৪৪) | তথ্যদাতা | ঃ | পূৰ্বোক্ত ব্যক্তি। |